# পুৰণি আৰু নতুন নিয়মৰ পৰা বাইবেলৰ কাহিনীবোৰ আৰু বাইবেলৰ উদ্ধৃতিৰে সৈতে অনুৰূপ ধৰ্ম্মমতবোৰ

## পুৰণি বংশধৰসকলৰ সময়ত হোৱা বুৰঞ্জীমূলক ঘটনাবোৰ লগতে পিচত ঘটা একেধৰণৰ ঘটনাবোৰ আৰু সেই সম্পৰ্কীয় ধৰ্ম্মমত।

**সৃষ্টি** (সম্পৰ্কিত ঃ বাইবেল মতবোৰ ঃ ঈশ্বৰৰ নতুন সৃষ্টি, পুনঃসংস্কাৰ আৰু পুনৰজন্ম)

***পুৰণি নিয়ম ঃ*** ঈশ্বৰে প্ৰাকৃতিক, ক্ষণস্থায়ী জগতখন সৃষ্টি কৰিছিল, আদিপুস্তক ১-২ অধ্যায়।

***নতুন নিয়ম ঃ*** ঈশ্বৰে তেওঁৰ নতুন সৃষ্টি আৰম্ভ কৰিছিল, যিটো আধ্যাত্মিক, অনন্তকলীয়া আৰু পাপবিহীন আছিল। বিশ্বাসীসকলে অংশগ্ৰহণ কৰা যীচুৰ সেই পুৰুত্থানে নতুন সৃষ্টি আৰম্ভ কৰিছিল। মথি ২৮ অধ্যায়।

- আমালৈ বাট চাই থকা নতুন স্বৰ্গ আৰু নতুন পৃথিৱীৰ লগত ই সম্পূৰ্ণ হ'ব।
- ইয়াত আমি আত্মিকভাৱে নতুনকৈ জন্ম পালো (নিকদীমৰ লগত যীচু), যোহন ৩ঃ১-৭ পদ।

***আমাৰ উত্তৰবোৰ ঃ*** তেওঁ আমাৰ কাৰণে পুৰণি সৃষ্টিতেই ভাল বস্তু সৃষ্টি কৰা বাবে ঈশ্বৰক ধন্যবাদ কৰো।

- আনন্দৰে ঘোষণা কৰো যে যীচুৰ পুনৰুত্থানত অংশগ্ৰহণ কৰি, যিজন নতুন সৃষ্টিৰ প্ৰথম ফল আছিল, আমি তেওঁৰ নতুন আত্মিক আৰু অনন্তকলীয়া সৃষ্টিত সোমাওঁ, (১কৰিন্থীয়া ১৫;২ কৰিন্থীয়া ৫ঃ১৭) আন কোনো বিকল্প পথ নাই (যোহন ১৪ঃ৬)

**প্ৰলোভন** (সম্পৰ্ক থকা ঃ আদি পাপ, মৃত্যু, আদম, চয়তান, যীচুৱে চয়তান আৰু মৃত্যুক পৰাজয় কৰিছিল)

***পুৰণি নিয়ম ঃ*** প্ৰথম আদম চয়তানৰ প্ৰলোভনৰ বশীভূত হ'ল আৰু ঈশ্বৰৰ অবাধ্য হ'ল আৰু তাৰ যোগেদি মানুহলৈ মৃত্যু আনিলে আৰু পবিত্ৰ ঈশ্বৰৰ পৰা পৃথক কৰিলে (আদি পাপ) আদিপুস্তক ৩ অধ্যায়।

***নতুন নিয়ম ঃ*** শেষ আদম যীচুৱে চয়তানৰ প্ৰলোভনক হেয়জ্ঞান কৰি, মানুহলৈ জীৱন আৰু ঈশ্বৰৰ লগত মানুহৰ পুৰ্নমিলন ঘটালে।

- যীচুৱে 'শেষ আদম' (১কৰিন্থীয়া ১৫ঃ৪৫) চয়তানৰ প্ৰলোভনক প্ৰতিৰোধ কৰিলে, মথি ৪ অধ্যায়। যীচুৱে আমাৰ জীৱনত থাকি চয়তানক বাধা দিবলৈ আৰু জগতক জয় কৰিবলৈ আমাক সহায় কৰিছে। যোহন ১৬-১৭ অধ্যায়।
- যীচুৱে গেৎচিমানী বাৰীত মৃত্যু পৰ্য্যন্ত পিতৃৰ ইচ্ছা পালন (চুড়ান্ত পৰীক্ষা) কৰিলে, মথি ২৬ঃ৩৬-৪২ পদ।

***আমাৰ সঁহাৰি ঃ*** ঈশ্বৰৰ আগত আমাৰ পাপবোৰ স্বীকাৰ কৰোঁ আৰু অনুতাপ কৰোঁ (১যোহন ১ঃ৮-১০)

- চয়তানক বাধা দিয়ক। ঈশ্বৰৰ অস্ত্ৰ, পবিত্ৰ আত্মাত থকা শক্তি ব্যৱহাৰ কৰক।

**কয়িন আৰু হেবল** (সম্পৰ্ক থকা ঃ তেজ উৎসৰ্গা, খ্ৰীষ্টৰ তেজ)

***পুৰণি নিয়ম ঃ*** পূৰণি নিয়মত ঈশ্বৰৰ আৰাধনাৰ কাৰণে নিৰীহ বলিৰ প্ৰয়োজন আছিল।

- প্ৰথম ঘাটক কয়িনে হেবলক বধ কৰিছিল এই কাৰণতেই ঈশ্বৰে তেওঁৰ ৰক্তবিহীন বলিদানক উপেক্ষা কৰি হেবলৰ বলিদানক গ্ৰহণ কৰিছিল, আদিপুস্তক ৪ অধ্যায়।
- ঈশ্বৰে প্ৰধান পুৰোহিতৰ পুত্ৰবিলাকক বধ কৰিছিল কাৰণ তেওঁৰ সন্মুখলৈ তেওঁলোকে তেজ লৈ যোৱা নাছিল, লেবীয়া পুস্তক ১০ অধ্যায়।

***নতুন নিয়ম ঃ*** নতুন নিয়মত ঈশ্বৰৰ আৰাধনাৰ বাবে খ্ৰীষ্টৰ অৰ্থাৎ অনন্তকলীয়া "ঈশ্বৰৰ মেৰ পোৱালিৰ" তেজৰ কথা সন্নিবিষ্ট আছে।

- যীচুৱে যিহুদীবিলাকক এই কথাৰে আচৰিত কৰি দিছিল যে, আমি তেওঁৰ মাংস ভোজন কৰিব লাগে আৰু

তেওঁৰ তেজ পান কৰিব লাগে। যোহন ৬ঃ২৬-৫৯।

- যীচুৱে চমৰীয়া তিৰোতা গৰাকীক কৈছিল যে, আমি আত্মাৰে আৰু সত্যৰে ঈশ্বৰৰ আৰাধনা কৰা উচিত। যোহন ৪ অধ্যায়।

***আমাৰ সহাঁৰি ঃ*** যীচুৱে আমাৰ পাপৰ কাৰণে তেওঁৰ তেজ দান কৰাৰ কথা সোঁৱৰণ কৰি আন্তৰিক সৰলতাৰে ঈশ্বৰৰ আৰাধনা কৰোহঁক। (মথি ২৬ঃ২৬-২৮)

- তেওঁ বিচৰাৰ দৰেই প্ৰভুৰ ভোজ পালন কৰাহঁক। (১ কৰি ১০ঃ১৬-১৭; ১১ঃ২৭-৩২ পদ)
- আমাৰ মাত ভাঙি যোৱালৈকে আমি আমাৰ ওঁঠেৰে ঈশ্বৰৰ প্ৰশংসা কৰিব পাৰো, কিন্তু আমি যদি তেওঁক মানি নচলোঁ, আমাৰ প্ৰশংসা বৃথা। (মথি ১৫ঃ৬-৯)

**নোহ** (সম্পৰ্ক থকা ঃ জলপ্লাৱন, অনুতাপ, শাস্তি, বিচাৰ, দ্বিতীয় মৃত্যু)

***পুৰণি নিয়ম ঃ*** দুষ্ট মানুহ জাতিক শাৰীৰিক মৃত্যুৰ দ্বাৰাই শাস্তি বিহিবলৈ ঈশ্বৰে জলপ্লাৱন পঠিয়াইছিল। (নোহ) আদিপুস্তক ৬-৯ অধ্যায়।

***নতুন নিয়ম ঃ*** আমি যদি অনুতপ্ত নহওঁ, ঈশ্বৰে “ দ্বিতীয় মৃত্যুৰ” বিষয়ে আমাক সাৱধান কৰি দিছে - নৰকত ঈশ্বৰৰ পৰা অনন্তকালৰ বাবে পৃথক হৈ থাকিব লাগিব।

- যোহন বাপ্তাইজকে মানুহবিলাকক অনুতাপ কৰি আহিব লগা মচীহ, যিজন খ্ৰীষ্ট তেওঁৰ কাৰণে যুগুত হৈ থাকিবলৈ আহ্বান জনাইছিল। (মথি ৩ অধ্যায়।)
- অনুতপ্ত নোহোৱা পাপীবিলাকক ঈশ্বৰে অগ্নিৰ সৰোবৰত পেলাই শাস্তি বিহিব (শেষ বিচাৰ আৰু দ্বিতীয় মৃত্যু) (প্ৰকাশিত বাক্য ২০ঃ১১-১৫।)

***আমাৰ সমিধান ঃ*** আমাৰ স্বৰ্গীয় পিতৃৰ দয়া আৰু অনুগ্ৰহে যেন আমাক অনুতাপ কৰিবলৈ চলাই লৈ যায়। (ৰোমীয়া ২ঃ৪)

- আমাৰ পাপবোৰৰ পৰা মন পালটন কৰোঁ আৰু খ্ৰীষ্টত বিশ্বাস কৰোহঁক (মাৰ্ক ১ঃ১৫ পদ)

**বাবিল** (সম্পৰ্ক থকা ঃ জাতিবোৰ, সংস্কৃতিবোৰ, ভাষাবোৰ)

***পুৰণি নিয়ম ঃ*** বাবিলত ঈশ্বৰে বিভিন্ন জাতি আৰু সংস্কৃতি সৃষ্টি কৰিছিল।

- এখন গৌৰৱময় সমাজত মানুহবিলাকে একত্ৰিত হৈ থাকিবলৈ চেষ্টা কৰিছিল, কিন্তু ঈশ্বৰে তেওঁলোকক বিভিন্ন ভাষাত বিভক্ত কৰিলে। আদিপুস্তক ১০ অধ্যায়।

***নতুন নিয়ম ঃ*** সকলো জাতি আৰু সংস্কৃতিয়ে তেওঁৰ সেই অনন্তকলীয়া সিংহাসনৰ আগত থাকি আৰাধনা কৰিব। প্ৰকাশিত বাক্য ৭ঃ৯-১৭ পদ।

***আমাৰ সমিধান ঃ*** মানুহৰ ৰাজনৈতিক শক্তিত নহয় কিন্তু ঈশ্বৰত বিশ্বাস কৰা (জখৰীয়া ৪ঃ৬ পদ)

- স্বৰ্গত অনন্ত কালৰ বাবে গ্ৰাহ্য হোৱা বিভিন্ন জাতি আৰু সংস্কৃতিবোৰৰ শলাগ লওক। ঈশ্বৰে দিয়া তেওঁলোকৰ বিবিধ গুণে “খ্ৰীষ্টৰ কন্যাক” - সকলো জাতিৰ লোকসকলক, ফৈদ আৰু ভাষাক শোভিত কৰে। (প্ৰকাশিত বাক্য ৭ঃ৯-১২)
- সকলো জাতিৰ লোকক শিষ্য কৰা (সাংস্কৃতিক লোকৰ দলবোৰ, মথি ২৮ঃ১৮-২০ পদ)

**অব্ৰাহামলৈ ঈশ্বৰৰ প্ৰতিজ্ঞা** (সম্পৰ্ক থকা ঃ প্ৰতিজ্ঞা, বিশ্বাস, চুক্তি)

***পুৰণি নিয়ম ঃ*** ঈশ্বৰে বিশ্বাসী অব্ৰাহামৰ বংশৰ সকলো জাতিকে আশীৰ্ব্বাদ কৰিব বুলি প্ৰতিজ্ঞা কৰিছিল।

- অব্ৰাহামে ঈশ্বৰক বিশ্বাস কৰিছিল, তেওঁ তেওঁৰ বিশ্বাসক ধাৰ্ম্মিকতা হিচাবে গণ্য কৰিছিল আৰু ঈশ্বৰে অব্ৰাহামৰ পৰা উৎপন্ন হোৱা বংশধৰসকলক আশীৰ্ব্বাদ কৰিব বুলি প্ৰতিজ্ঞা কৰিছিল আৰু এটি অতি গুৰুতৰ চুক্তিৰে সৈতে মোহৰ মাৰি থৈছিল। আদিপুস্তক ১২ঃ১-৭; আদিপুস্তক ১৫ অধ্যায়।

- ঈশ্বৰে অব্ৰাহামক এক অলৌকিক উপায়েৰে এটি পুত্ৰ সন্তান জন্ম দিব বুলি প্ৰতিজ্ঞা কৰিছিল। অব্ৰাহামে তেওঁক বিশ্বাস কৰিলে। আদিপুস্তক ১৫ঃ১-৬ পদ।

***নতুন নিয়ম ঃ*** ঈশ্বৰে অব্ৰাহামৰ বংশৰ খ্ৰীষ্ট, যিজনে পাপৰ পৰা ৰক্ষা আৰু আৰোগ্য কৰে, সেইজনৰ যোগেদি সমগ্ৰ জাতিকে আশীৰ্ব্বাদ প্ৰতিজ্ঞা পূৰণ কৰিলে।

- মৰিয়মে আচৰিত ৰূপে এটি পুত্ৰ সন্তান আৰু তেওঁৰ ত্ৰাণকৰ্ত্তাক জন্ম দান কৰিবলৈ মান্তি হ'ল। লূক ১ঃ২৬-৫৬ পদ।
- যীচুৱে এজন ভূতে পোৱা মানুহক আৰু অনেক লোকক তেওঁলোকৰ বিশ্বাসৰ কাৰণেই আৰোগ্য দান কৰিছিল, মাৰ্ক ১ঃ২১-৩৪ পদ।
- যীচুৱে এজন জঠৰ ৰোগীক তেওঁৰ যত্ন লোৱা বন্ধুবিলাকৰ বিশ্বাসৰ কাৰণেই সুস্থ কৰিছিল আৰু পাপ ক্ষমা দিলে। মাৰ্ক ২ঃ১-১২ পদ
- অনেক দেশৰ পৰা অহা যিহুদী, যিসকলে যীচুক (পঞ্চাশ দিনীয়া পৰ্ব্ব) গ্ৰহণ কৰিছিল তেওঁলোকৰ ওপৰত ঈশ্বৰে পবিত্ৰ আত্মা বাকী দিলে। (পাঁচনিকৰ্ম্ম ২ অধ্যায়)
- পৰজাতিবিলাকৰ ওপৰত ঈশ্বৰে পবিত্ৰ আত্মা দি সকলো জাতিয়ে যেন ৰক্ষা পাব পাৰে তাৰ বাবে পথ মোকলাই দিলে। পাঁচনিকৰ্ম্ম ১০ঃ৪৪-৪৮।

***আমাৰ সমিধান ঃ*** আমাৰ নিজৰ সৎগুণৰ বাবে নহয়, বিশ্বাসৰ দ্বাৰাই ঈশ্বৰৰ অনুগ্ৰহ লাভ কৰক (ইফিচীয়া ২ঃ৮-১০ পদ)।

- আমি অব্ৰাহামৰ উত্তৰাধিকাৰী। তেওঁৰ দৰে বিশ্বাস কৰি তেওঁলৈ প্ৰতিজ্ঞাৰ আশীৰ্ব্বাদ আমি পাওঁ। (গালা ঃ ৩ঃ৬-১২, ৪ঃ২১-৩১)
- পবিত্ৰ আত্মাৰ শক্তিৰ দ্বাৰাই আমি আটাই দেশৰ লোকসকললৈ সাক্ষী হওঁ। (পাঁচনিকৰ্ম্ম ১ঃ৮)
- শাৰীৰিক আৰোগ্যতাৰ কাৰণে আমি যীচুৰ নামত প্ৰাৰ্থনা কৰোঁ। (যাকোব ৫ঃ১৪-১৬ পদ)
- ঈশ্বৰে যিদৰে পৌলৰ কাৰণে কৰিছিল, সেইদৰে আমাকো সুস্থতা দান কৰিবলৈ বা তাৰ পৰিবৰ্ত্তে অন্য ধৰণৰ অনুগ্ৰহ দান কৰিবলৈ তেওঁক এৰি দিওঁ। ঈশ্বৰে সকলোকে আৰোগ্য নকৰে বা কোনো এজন মৃত্যু নহ'ব আৰু স্বৰ্গত তেওঁৰ লগত থাকিব। (২ কৰি ১২ঃ৭-১০)

**অব্ৰাহামৰ বিশ্বাস** (সম্বন্ধ ঃ বিশ্বাস, মুছলমান, ইচহাক)

***পুৰণি নিয়ম ঃ*** অব্ৰাহামৰ বিশ্বাসে এনে ভাল কাৰ্য্য আৰু ঈশ্বৰৰ প্ৰতিজ্ঞালৈ চলাই নিলে যে ইয়েই পুৰণি আৰু নতুন নিয়মৰ মূল ভেঁটি স্বৰূপ হ'ল।

- অব্ৰাহামে তেওঁৰ আপোনপেতীয়া ভতিজাক লোটক আটাইতকৈ শ্ৰেষ্ঠ ঘাঁহনি পথাৰখন বাচি ল'বলৈ দিলে। আদিঃ ১৩
- লোটক ৰক্ষা কৰিবলৈ অব্ৰাহামে বিশ্বাসেৰে তেওঁৰ কৰ্ম্মচাৰী সকলক পাঁচ গৰাকী ৰজাৰ বিৰুদ্ধে যুঁজিবলৈ নিছিল, আদিপুস্তক ১৪ অধ্যায়।
- অব্ৰাহামৰ বিশ্বাসৰ ফলস্বৰূপে ইচহাকৰ জন্ম হ'ল, যিজনৰ যোগেদি অনুগ্ৰহৰ নিয়ম চুক্তি ঈশ্বৰে স্থাপন কৰিলে। আদিঃ ২১
- ঈশ্বৰে অব্ৰাহামৰ একেটি মাত্ৰ সন্তান আৰু প্ৰতিজ্ঞাৰ অধিকাৰী ইচাহাকক বলি উৎসৰ্গা কৰিবলৈ দি তেওঁৰ বিশ্বাসৰ পৰীক্ষা লৈছিল। আদিঃ ২২
- অব্ৰাহামে বিশ্বাসৰ পৰা খন্তেক বিচলিত হৈ নিজ চেষ্টাৰে ঈশ্বৰৰ অনুগ্ৰহৰ সেই নিয়ম-চুক্তি কাৰ্য্যত পৰিণত কৰিবলৈ চেষ্টা কৰিছিল। আদিঃ ১৬-১৭। তাৰেই ফলস্বৰূপে হাগাৰৰ জাৰজ সন্তান ইস্মায়েলৰ বংশধৰ মুছলিম সকলে চাৰাৰ যোগেদি উৎপন্ন হোৱা অব্ৰাহামৰ বংশধৰৰ লগত এতিয়াও যুদ্ধ কৰি আছে।

***নতুন নিয়ম ঃ*** আমি পুনৰ জন্ম, আৰোগ্য লাভ, আৰু ঈশ্বৰৰ আশীৰ্বাদবোৰ বিচাৰি লবৰ বাবে যীচুত বিশ্বাসৰ প্ৰয়োজন আছে।

- যীচুৱে নীকদিমক এই কথা বুজাই দিছিল যে আমি বিশ্বাসৰ দ্বাৰাই আত্মাৰ পুনৰ জন্ম পাব লাগে, যোহন ৩ অধ্যায়।
- যীচুৱে এশৰ সেনাপতি এজনৰ বিশ্বাসৰ বাবেই তেওঁৰ বন্দীজনক সুস্থ কৰিছিল। মথি ৮ঃ৫-১৭ পদ।
- যীচুৱে দুজন অন্ধক তেওঁলোকৰ বিশ্বাসৰ বাবেই সুস্থ কৰিছিল, মথি ৯ঃ২৭-৩৮ পদ।

***আমাৰ সমিধান ঃ*** বিশ্বাসৰ দ্বাৰাই হোৱা আমাৰ পৰিত্ৰাণৰ ফলত ভাল কাৰ্য্যবোৰ হয় বা আমাৰ বিশ্বাস প্ৰকৃত বিশ্বাস নহয়। ইফিঃ ২ঃ৮-১০ পদ। যাকোব ১ঃ২২-২৪ পদ।

- অব্ৰাহামে ঈশ্বৰৰ অনুগ্ৰহৰ নিয়ম চুক্তি নিজ কাৰ্য্যৰ দ্বাৰাই পৰিণত কৰিবলৈ চেষ্টা কৰাৰ ফলত ইস্মায়েলৰ জন্ম হ'ল আৰু তেওঁৰ আৰব বংশৰ দ্বাৰাই পৃথিৱীৰ আটাইতকৈ বেছি নিয়ম কানুন মানি চলা মুছলিম ধৰ্ম্মৰ বৃদ্ধি পাবলৈ দিলে। গালাতীয়া ৩ঃ৬-১২; গালাতীয়া ৪ঃ২১-৩১ পদ।
- প্ৰত্যেকদিনে নতুনত্ব বিচৰা, প্ৰত্যেক দিনে প্ৰাৰ্থনা আৰু ঈশ্বৰৰ বাক্য ধ্যান কৰা, দিনে দিনে ঈশ্বৰৰ পবিত্ৰ আত্মাই আমাক নতুন কৰিবলৈ দিয়ক। (২ কৰি ৪ঃ১৬)

## **অব্ৰাহামৰ ঘৰগিৰী** (সম্বন্ধ ঃ দিয়া)

***পুৰণি নিয়ম ঃ*** ঈশ্বৰে ভাল ঘৰগিৰীসকলক পুৰণি নিয়মত যি দিছিল তাৰে পুৰস্কৃত কৰিছিল।

- লুণ্ঠনকাৰী সকলৰ পৰা পুনৰুদ্ধাৰ কৰা সম্পত্তিৰ দশম ভাগবোৰ অব্ৰাহামে খ্ৰীষ্টৰ দৰে পুৰোহিত মল্কীচেদকক দিছিল আৰু বন্দীসকলৰ পৰা কোনো সম্পত্তি ল'বলৈ অমান্তি হৈছিল। (আদি ১৪ঃ১১-২৪ পদ।)
- বোৱাজে, ধান বুটলি ফুৰা দৰিদ্ৰ ৰূথৰ বাবে ধান এৰি যাবলৈ তেওঁৰ দাৱনীবিলাকক নিৰ্দেশ দিছিল। ৰূথ ২ অধ্যায়।

***নতুন নিয়ম ঃ*** তেওঁৰ কাৰ্য্যৰ বাবে আৰু কষ্টত থকাসকলৰ বাবে যিসকলে মুক্তহস্তে দান কৰে তেওঁবিলাকৰ বাবে স্বৰ্গত ধন দিব বুলি ঈশ্বৰে প্ৰতিজ্ঞা কৰিছে।

- বাঁৰী তিৰোতাগৰাকীয়ে তেওঁ জীয়াই থাকিবৰ বাবে পইচাৰ প্ৰয়োজন থকা স্বত্বেও দান দিলে, লূক ২১ঃ১-৪।
- বাৰ্নবাই তেওঁৰ সম্পত্তি বিক্ৰি কৰি প্ৰয়োজনত থকা বিলাকক দান কৰিলে, পাঁচনিৰ কৰ্ম্ম ৪ঃ৩৩-৩৭ পদ।
- দয়ালু চমৰীয়াই তেওঁৰ শত্ৰুৰ সেৱা-যত্ন কৰিলে লূক ১০ঃ২৫-৩৭ পদ।
- উত্তম ঘৰগিৰী বিষয়ে যীচুৱে তেওঁৰ বিশ্বাসী দাসৰ দৃষ্টান্তটোৰ দ্বাৰাই বৰ্ণনা কৰি দিছিল। লূক ১৯ঃ১১-২৭।
- বেয়া ঘৰগিৰী বিষয়ে অবিশ্বাসী দাসৰ দৃষ্টান্তটোৰ দ্বাৰাই তেওঁ বৰ্ণনা কৰি দিছিল। লূক ১৬ঃ১-৮।

***আমাৰ সমিধান ঃ*** ভাল ঘৰগিৰী হোৱা আৰু টকা-পইচাই হওক বা বস্তুৱেই হওক ঈশ্বৰে দিয়া সকলোখিনিৰ ভালকৈ চলোৱা। ১ কৰি ৪ঃ২ পদ)

- হৰ্ষিত মনে দিয়া, আমি যিকোনো বস্তু অসন্তুষ্ট মনেৰে দিয়াটো ঈশ্বৰে নিবিচাৰে। ২ কৰি ৯ঃ৬-১৫)

## **মধ্যস্থ হৈ কৰা অব্ৰাহামৰ প্ৰাৰ্থনা** (সম্পৰ্কীয় ঃ বিশ্বাস, মধ্যস্থতা, আৰোগ্যতা)

***পুৰণি নিয়ম ঃ*** পুৰণি নিয়মত বিশ্বাসেৰে কৰা প্ৰাৰ্থনাৰ উত্তৰ ঈশ্বৰে দিছিল।

- লোট আৰু তেওঁৰ পৰিয়ালৰ বাবে মধ্যস্থকাৰী হৈ অব্ৰাহামে কৰা শক্তিশালী প্ৰাৰ্থনা (চদোম আৰু ঘমোৰা) আদি ঃ ১৮-১৯
- ঈশ্বৰৰ মন্দিৰ উৎসৰ্গ কৰা আৰু তেওঁৰ লোকসকলৰ কাৰণে কৰা চলোমনৰ শক্তিশালী প্ৰাৰ্থনা, ২ বংশাৱলী ৬; ৭ঃ১-৪

- ইজ্ৰাই তেওঁৰ লোকসকলৰ হৈ পাপ স্বীকাৰ কৰি কৰা শক্তিশালী প্ৰাৰ্থনা আৰু তাৰ ফলাফল (নতুনত্ব) ইজ্ৰা ৯; ইজ্ৰা ১০ঃ১-১৯ পদ

***নতুন নিয়ম ঃ*** আমি বিশ্বাসেৰে কৰা প্ৰাৰ্থনাৰ উত্তৰ ঈশ্বৰে দিয়ে।

- পিতৰ আৰু যোহনে যীচুৰ নামত প্ৰাৰ্থনা কৰি এজন খোৰা মানুহক সুস্থ কৰিছিল আৰু তাৰ বাবে বন্দীশালত থোৱা হৈছিল। পাঁচনিৰ কৰ্ম্ম ৩-৪।
- এজন পিতৃ বিশ্বাসেৰে কৰা সৰল প্ৰাৰ্থনা আৰু তেওঁৰ ভূতে পোৱা সন্তানটিৰ আৰোগ্যতা, মাৰ্ক ৯ঃ১৪-২৯।
- পাপী কৰতোলা জনৰ চুটি প্ৰাৰ্থনাটো, লূক ১৮ঃ৯-১৪।
- যীচুৱে আমাক কেনেকৈ প্ৰাৰ্থনা কৰিব লাগে কৈছিল - (প্ৰভুৰ প্ৰাৰ্থনা - “হে আমাৰ স্বৰ্গত থকা পিতৃ” প্ৰাৰ্থনাটোও ইয়াৰ লগত সন্নিবিষ্ট আছে) মথি ৬ঃ১-১৫ পদ।
- যীচুৱে তেওঁৰ শিষ্যসকলৰ কাৰণে আৰু আমাৰ কাৰণে প্ৰাৰ্থনা কৰিছিল। (যোহন ১৭)
- যীচুৱে আমাৰ কাৰণে জীৱন দান কৰাত তেওঁৰ পিতৃৰ যি ইচ্ছা সেই ইচ্ছাত প্ৰাৰ্থনাৰে মানি লৈছিল। মথি ২৬ঃ৩৬-৪৬ পদ।

***আমাৰ সমিধান ঃ*** যাতে আমাৰ আনন্দ সম্পূৰ্ণ হয় তাৰ বাবে তেওঁৰ নামত প্ৰাৰ্থনা কৰিবলৈ যীচুৱে আমাক কৈছিল। (যোহন ১৬ঃ২৪ পদ)

- পাঁচনি পৌলে আমাক নিৰন্তৰে প্ৰাৰ্থনা কৰি থাকিবলৈ কৈছে। (১ থিচ ৫ঃ১৭ পদ)
- যোহন পাঁচনিয়ে আমাৰ পাপবোৰ ঈশ্বৰৰ ওচৰত স্বীকাৰ কৰিবলৈ কৈছে। (১ যোহন ১ঃ৮-১০ পদ)

**ইচহাকৰ কন্যা ৰেবেকা** (সম্পৰ্কীয় ঃ ইচাহাক, পঞ্চাশ দিনীয়া পৰ্ব্ব, পবিত্ৰ আত্মা)

***পুৰণি নিয়ম ঃ*** অব্ৰাহামে তেওঁৰ পুত্ৰ ইচাহাকৰ কাৰণে ঈশ্বৰ বিশ্বাসী কন্যা ৰিবেকাক বিচাৰি তেওঁৰ দাসবিলাকক দূৰ দেশলৈ পঠিয়াইছিল। (আদি ২৪ অধ্যায়।)

***নতুন নিয়ম ঃ*** ঈশ্বৰে তেওঁৰ পুত্ৰ যীচুৰ বাবে ঈশ্বৰ বিশ্বাসী কন্যা “মণ্ডলীক” বিচাৰি পবিত্ৰ আত্মা পঠিয়াইছে।

- যীচুৱে প্ৰতিজ্ঞাৰ সহায়কৰ্ত্তা, যিজনে আমাক পাপৰ সম্বন্ধে বিশ্বাস জন্মায় আৰু খ্ৰীষ্টক আমাৰ আগত প্ৰকাশ কৰে, যোহন ১৪ঃ১৫-২৬; ১৬ঃ৭-১৬ পদ।
- পবিত্ৰ আত্মা পঞ্চাশ দিনীয়া পৰ্ব্বৰ সময়ত আহিল আৰু যিহুদীবিলাকৰ মাজত প্ৰথম মণ্ডলী আৰম্ভ হ’ল। পাঁচনিৰ কৰ্ম্ম ২ অধ্যায়।
- পবিত্ৰ আত্মা পৰজাতিবিলাকলৈ আহিল আৰু কৰ্ণীলিয়ৰ ঘৰতেই পৰজাতিবিলাকৰ প্ৰথম মণ্ডলী জন্ম পালে। পাঁচনিৰ কৰ্ম্ম ১০ অধ্যায়।

***আমাৰ সমিধান ঃ*** তেওঁৰ কন্যা হ’বলৈ, বিশ্বাসী, এনেকি দূৰ দেশত থকা ঈশ্বৰে মনোনিত কৰা সকলকো বিচৰা, মথি ২৮ঃ১৯-২০ পদ।

**যাকোবে ঈশ্বৰৰ অনুগ্ৰহ পাইছিল** (সম্পৰ্কীয় ঃ যাকোব, এচৌ, বিশ্বাস, বিশ্বাসৰ দ্বাৰাই পৰিত্ৰাণ।)

***পুৰণি নিয়ম ঃ*** সৰ্ব্বপ্ৰধান ঈশ্বৰে যিসকলক বাচি লৈছিল তেওঁলোকক অনুগ্ৰহ দান কৰিছিল, কিন্তু ভাল কাম কৰাৰ বাবে নহয়।

- যাকোবে তেওঁৰ ককায়েক এচৌক প্ৰতাৰণা কৰিছিল কিন্তু তথাপিও ঈশ্বৰৰ আশীৰ্ব্বাদ পাইছিল। আদিপুস্তক ২৭-৩৩ অধ্যায়।
- ঈশ্বৰৰ বিধান পোৱা আগেয়ে, এই দীঘলীয়া কাহিনীটোৱে অতীজৰ ইব্ৰী সংস্কৃতিৰ সম্ভেদ দিছে।
- যাকোবে চলনাৰে এচৌৰ জন্মগত অধিকাৰ হৰণ কৰিছিল, আদিপুস্তক ২৭ অধ্যায়।

- যাকোবে ঈশ্বৰৰ আৰাধনা কৰিছিল আৰু স্বৰ্গলৈ যোৱা এটি জখলা তেওঁ দেখা পাইছিল। ঈশ্বৰে অব্ৰাহামক কৰা প্ৰতিজ্ঞা যাকোবলৈকো কৰিছিল, আদিপুস্তক ২৮ অধ্যায়।
- যাকোবৰ প্ৰতাৰণাৰ বাবে ঈশ্বৰে তেওঁক শাস্তি দিছিল - লাবানে তেওঁক ফাঁকি দিলে। আদিপুস্তক ২৯ অধ্যায়।
- যাকোবৰ বিশ্বাসৰ কাৰণে, যদিও তেওঁ অপকৰ্ম কৰিছিল, ঈশ্বৰে তেওঁক ধন-সম্পত্তি আৰু সন্তান-সন্ততিৰে আশীৰ্ব্বাদ কৰিছিল। আদিপুস্তক ৩০ অধ্যায়।
- লাবান আৰু এচৌৰ ক্ৰোধৰ পৰা যাকোবক ঈশ্বৰে ৰক্ষা কৰিছিল; যাকোবে এজন দূতৰ লগত মলযুদ্ধ কৰিছিল। আদিঃ ৩১-৩৩ অধ্যায়।

***নতুন নিয়ম ঃ*** যীচুৱে বেয়া মানুহবিলাকক তেওঁলোকৰ কামবোৰ বাবে নহয়, বিশ্বাসৰ বাবেহে ক্ষমা কৰে আৰু আশীৰ্ব্বাদ কৰে।

- যীচুৱে এগৰাকী পাপী তিৰোতাক ক্ষমা কৰিছিল, লূক ৭ঃ৩৬-৫০ পদ।
- যীচুৱে এটি দৃষ্টান্তৰে বুজাই দিছিল যে ঈশ্বৰে ভাল আৰু বেয়া দুয়োধৰণৰ লোককেই তেওঁৰে সৈতে ভোজন কৰিবলৈ আমন্ত্ৰণ জনায়। মথি ২২ঃ১-১০ পদ।
- যীচুৱে যিসকল পাপীক উদ্ধাৰ কৰিবলৈ আহিছিল, তেওঁলোকৰ সৈতে ভোজন পান কৰিছিল আৰু সমালোচিত হৈছিল। লূক ৫ঃ২৭-৩২ পদ।

***আমাৰ সমিধান ঃ*** আমাৰ কামৰ বাবে নহয় বিশ্বাসৰ বাবে ঈশ্বৰে আমাক ক্ষমা কৰা বাবে তেওঁক ধন্যবাদ দিওঁহক। ৰোমীয়া ৮ঃ২৮-৩০; ৯ঃ১০-১৮)

- পৰিত্ৰাণৰ শুভবাতৰি ভাল আৰু বেয়া মানুহলৈকো লৈ যোৱা, কাৰণ যীচুৱে হেৰুৱাজনক বিচাৰি এই জগতলৈ আহিছিল (লূক ৫ঃ৩২ পদ)

**যোচেফে ক্ষমা কৰিছিল;** (মিল থকা ঃ ক্ষমা, মধ্যস্থতা, যাচু আমাৰ সপক্ষ।)

***পুৰণি নিয়ম ঃ*** যোচেফে ইস্ৰায়েলৰ সন্তানসকল, যিসকলে তেওঁক অন্যায় কৰিছিল, তেওঁলোকৰ সপক্ষে থাকি কাম কৰিছিল।

- দাস হিচাবে বিক্ৰীত হোৱা যোচেফে ক্ষমতা লাভ কৰিছিল আৰু ককায়েক বিলাকৰ কাৰণে ফৰৌণৰ আগত নিবেদন জনাইছিল, আদিপুস্তক ৩৭ আৰু ৩৯-৪৫ পদ।
- এই দীঘল কাহিনীটো আপুনি সৰু সৰু ভাগ কৰি ল'ব পাৰে। ইয়াতে ক্ষমা, শুদ্ধতা, পৰিয়াল বন্ধন, মধ্যস্থতা আৰু ঈশ্বৰৰ ব্যৱস্থাবোৰৰ বিষয়ে অনেক শিক্ষা আছে। যোচেফ খ্ৰীষ্টৰ ভবিষ্যদ্বাণী থকা চৰিত্ৰ। তেওঁ আছিল ঃ

    এজন মেৰৰখীয়া

    পিতৃৰ দ্বাৰাই স্নেহপ্ৰাপ্ত

    ইস্ৰায়েলৰ সন্তান তেওঁৰ ককায়েকবিলাকৰ দ্বাৰাই বিক্ৰী হোৱা

    প্ৰলোভন প্ৰতিৰোধ কৰিছিল।

    অন্যায়ভাবে বন্দী কৰা হৈছিল।

    ৰজাৰ সোঁহাতে সন্মানীয় পদত পুনৰবাৰ প্ৰতিষ্ঠিত হৈছিল।

    ককায়েকসকলৰ বাবে মধ্যস্থতাকাৰী হৈছিল।

    এটি মহৎ ভোজনৰ সময়ত তেওঁলোকৰ সৈতে পুনৰমিলিত হৈছিল।

***নতুন নিয়ম ঃ*** আমি যীচুৰ অহিতে পাপ কৰিলেও তেওঁ আমাৰ পক্ষে পিতৃৰ আগত ওকালতি কৰে।

- যীচু এজন সজ-ৰখীয়া যিজনে হেৰুৱা মেৰক বিচাৰি যায়। লূক ১৫ঃ১-১০ পদ।
- তেওঁক ক্ৰুচত দিয়াসকলক ক্ষমা কৰি দিবৰ বাবে তেওঁৰ পিতৃৰ ওচৰত প্ৰাৰ্থনা কৰিছিল। লূক ২৩

- আমি কিয় আনবিলাকক ক্ষমা কৰিব লাগে সেই বিষয়ে যীচুৱে তেওঁৰ শিষ্যসকলক কৈছিল। মথি ১৮ঃ১৫-৩৫ পদ।

*আমাৰ সমিধান ঃ* যীচুৰ নামত প্ৰাৰ্থনা কৰা - পিতৃৰ লগত তেওঁ আমাৰ নিমিত্তে ওকালতি কৰে, আমাৰ কাৰণে নিবেদন কৰি আছে (যোহন ১৬ঃ২৪, ৰোমীয়া ৮ঃ৩৩-৩৯ পদ)

- আমাৰ অহিতে পাপ কৰা সকলক ক্ষমা কৰা (মথি ৬ঃ১৪-১৫; ইফি ৪ঃ৩২ পদ)

## বিধান দিয়া মোচিৰ সময়ৰ ঘটনাবোৰৰ লগতে একেধৰণৰ পিচৰ ঘটনাবোৰ

**ঈশ্বৰে উদ্ধাৰ মোচিক যুগুত কৰিছিল** (সম্পৰ্কীয় ঃ পাপ, মুক্তি, সহভাগিতা, প্ৰভুৰ ভোজ, যীচু-খ্ৰীষ্টৰ শেষ ভোজন)

*পুৰণি নিয়ম ঃ* মিচৰৰ দাসত্বৰ বন্দী অৱস্থাৰ পৰা তেওঁৰ লোকসকলক উলিয়াই আনিবলৈ আৰু এটি নতুন পবিত্ৰ জাতি গঠন কৰিবলৈ ঈশ্বৰে এজন উদ্ধাৰকাৰী যুগুত কৰিছিল।

- মোচিৰ জন্ম কাহিনী আৰু তেওঁক হত্যা কৰিবলৈ চেষ্টা কৰাক লৈ আশ্চৰ্য্যজনক ঘটনাবোৰ ঘটিছিল, যাত্ৰাপুস্তক ১-২ অধ্যায়।
- তেওঁৰ লোকবিলাকক চলাই নিবৰ বাবে ঈশ্বৰে মোচিক মিদিয়ন দেশত প্ৰস্তুত কৰিছিল, এজোপা জ্বলি থকা গছৰ পৰা তেওঁৰ লোকসকলক মুক্ত কৰিবলৈ মিচৰলৈ উলটি যাবৰ বাবে আহ্বান জনাইছিল আৰু সেইদৰে কৰিবলৈ অলৌকিক শক্তি তেওঁক প্ৰদান কৰিছিল। যাত্ৰাপুস্তক ২-৪ অধ্যায়।
- মোচিৰ প্ৰথম আচৰিত কাৰ্য্য আছিল পানীক তেজলৈ পৰিবৰ্ত্তন কৰা - মিচৰৰ ভণ্ড ঈশ্বৰ বিলাকলৈ এটি অভিশাপ, যাত্ৰা ৭ঃ১৩-২৫ পদ)

*নতুন নিয়ম ঃ* পাপৰ দাসত্বৰ পৰা চলাই আনিবলৈ ঈশ্বৰে এজন পৰিত্ৰাতা যুগুতালে।

- যীচুৰ জন্ম আৰু তেওঁক হত্যা কৰিবলৈ কৰা চেষ্টাক কেন্দ্ৰ কৰি অলৌকিক ঘটনা ঘটিছিল। মথি ১ঃ১৮-২৫; মথি ২ অধ্যায়।
- বাপ্তিস্মৰ কাৰণে যীচুৰ প্ৰস্তুতি আৰু বাপ্তিস্ম আৰু তেওঁ ঈশ্বৰৰ প্ৰিয় পুত্ৰ বুলি পিতৃয়ে দিয়া স্বীকৃতি, মথি ৩ঃ১৩-১৭।
- যীচুৰ প্ৰথম আচৰিত কৰ্ম আছিল পানীক দ্ৰাক্ষাৰসলৈ পৰিবৰ্ত্তন কৰা - এটি আশীৰ্ব্বাদ, যোহন ২ অধ্যায়।

*আমাৰ সমিধান ঃ* ক্ষমা পাবলৈ আৰু ঈশ্বৰৰ আশীৰ্ব্বাদ আনিবলৈ আমাৰ ত্ৰাণকৰ্ত্তা আৰু প্ৰভু যীচু খ্ৰীষ্টত বিশ্বাস কৰা। (যোহন ৩ঃ১৬ পদ)

**নিস্তাৰ পৰ্ব্বৰ মেৰ** (সম্বন্ধীয় ঃ শেষ নৈশ ভোজন, প্ৰভুৰ ভোজ, মেৰ ছাগৰ তেজ, তেজ, বলিদান, পুনৰুত্থান।)

*পুৰণি নিয়ম ঃ* ঈশ্বৰে ইস্ৰায়েলসকলৰ বাবে খমিৰ নিদিয়া পিঠাৰ বছৰেকীয়া পৰ্ব্ব (নিস্তাৰ পৰ্ব্ব) স্থাপন কৰিছিল, যাত্ৰা ঃ ১২ অধ্যায়। মন কৰক ঃ

- মিচৰৰ দাসত্বৰ পৰা কিদৰে তেওঁলোকক উদ্ধাৰ কৰিলে, সেই কথা সকলো যুগলৈকে মনত ৰাখিবলৈ সহায়ৰ কাৰণে এনে কৰা হৈছিল।
- যিবিলাকে ঈশ্বৰত বিশ্বাস ৰাখিছিল, তেওঁলোকৰ ঘৰৰ দুৱাৰৰ চৌকাঠত তেজ দেখি মৃত্যুৰ দূতে পাৰ হৈ গুছি গৈছিল।

*নতুন নিয়ম ঃ* তেওঁৰ তেজৰ যি নতুন নিয়ম তাক নিশ্চিত কৰিবৰ বাবেই যীচুৱে প্ৰভুৰ ভোজ স্থাপন কৰিলে, লূক ২২।

- তেজ বোৱাই আমাক পাপৰ পৰা কেনেকৈ উদ্ধাৰ কৰিলে সেই কথা যুগে যুগে মনত ৰাখিবলৈ আমি এই ভোজ গ্ৰহণ কৰোঁ।

***আমাৰ সমিধান ঃ*** আমি এই নতুন নিস্তাৰ পৰ্ব্ব ভোজ পান কৰোঁতে আমি যীচুৰ শৰীৰ আৰু তেজৰ ভাগ লওঁ। (১ কৰিঃ ১০ঃ১৬-১৭)

**দাসত্বৰ পৰা মুক্তি** (সম্পৰ্কীয় ঃ দাসত্ব, পুনৰুত্থান, অমৰত্ব, চুফ সাগৰ।)

***পুৰণি নিয়ম ঃ*** ঈশ্বৰে ইস্ৰায়েল বিলাকক চুফ সাগৰৰ মাজেদি দাসত্বৰ পৰা উলিয়াই আনিলে; এই আচৰিত ঘটনাটো আছিল পুৰণি চুক্তিৰ কাৰণে বুৰঞ্জীমূলক ভেঁটি।

***নতুন নিয়ম ঃ*** যীচুৱে তেওঁৰ মৃত্যু আৰু পুনৰুত্থানৰ দ্বাৰাই আমাক পাপৰ দাসত্বৰ পৰা উলিয়াই আনিলে। লূক ২৪ অধ্যায়।

- খ্ৰীষ্টই আমাক অনন্ত জীৱন দান কৰিলে, কিয়নো বিশ্বাসীসকলে তেওঁৰ পুনৰুত্থানত যোগ দিয়ে। যোহন ১১ অধ্যায়।

***আমাৰ সমিধান ঃ*** আমাক অমৰত্ব দিবলৈ - একমাত্ৰ জীৱন দিওঁতা, খ্ৰীষ্টতহে আমি বিশ্বাস কৰোঁ, ১ কৰিঃ ১৫ অধ্যায়।

**ঈশ্বৰে মান্না আৰু পানী যোগাইছিল** (সম্পৰ্কীয় ঃ জীৱন জল, মান্না, অনন্তকলীয়া জীৱন, অমৰত্ব, জীৱনৰ আহাৰ।)

***পুৰণি নিয়ম ঃ*** ঈশ্বৰৰ আচৰিত কৰ্ম্মৰ দ্বাৰাই মোচিয়ে মৰুভূমিত আহাৰ আৰু পানী যোগাইছিল।

- ঈশ্বৰে আহাৰৰ বাবে মান্না স্বৰ্গৰ পৰা যোগাইছিল, যাত্ৰা ১৭ঃ১-৭ পদ।
- ঈশ্বৰে শিলৰ পৰা পানী যোগাইছিল। গণনাপুস্তক ২০ঃ১-১২

***নতুন নিয়ম ঃ*** যীচুৱে জীৱনৰ আহাৰ (তেওঁৰ আপোন শৰীৰ) আৰু জীৱন জল (পবিত্ৰ আত্মা) তেওঁৰ বিশ্বাসীসকলক দান কৰে।

- যীচুৱে অতি আচৰিত ধৰণে ৫০০০ মানুহক খুৱাই আৰু তাৰ পিছত তেওঁৰ শৰীৰটোক অনন্তকলীয়া জীৱনৰ বাবে অনেকক অসন্তুষ্ট কৰি স্বৰ্গৰ পৰা অহা পিঠা স্বৰূপে আগবঢ়ালে। (যোহন ৬ অধ্যায়।)
- ঈশ্বৰৰ পবিত্ৰ আত্মা (যোহন ৭ঃ৩৭-৩৯) আমাৰ লগত থাকিব আৰু আমাক পৰামৰ্শ (যোহন ১৪ঃ১৫-২৬) দিব বুলি যীচুৱে প্ৰতিজ্ঞা কৰিছে।

***আমাৰ সমিধান ঃ*** জাগতিক নহয়, স্বৰ্গৰ পৰা প্ৰকৃত আহাৰ বিচৰা আৰু ঈশ্বৰৰ আত্মা লাভ কৰা, (মথি ৬ঃ৩১-৩৪ যোহন ২০ঃ২১-২৩ পদ)

**ঈশ্বৰে তেওঁৰ লোকবিলাকৰ বাবে মেৰ-ৰখীয়া যোগাইছিল** (সম্পৰ্কীয় ঃ বৃদ্ধসকল, যিথ্ৰো।)

***পুৰণি নিয়ম ঃ*** পুৰণি নিয়মত ঈশ্বৰে বৃদ্ধবিলাকক তেওঁৰ লোকসকলৰ ৰক্ষক কৰিছিল। (যাত্ৰা ১৮ঃ১২-২৭)

***নতুন নিয়ম ঃ*** ঈশ্বৰে বৃদ্ধসকলক তেওঁৰ মণ্ডলীৰ ৰক্ষক হ'বলৈ দিছিল। পাঁচনিৰ কৰ্ম্ম ১৪ (২৩ পদটো মন কৰক)

***আমাৰ সমিধান ঃ*** মণ্ডলী স্থাপন কৰোঁতাসকলে নতুন প্ৰচাৰ ক্ষেত্ৰবোৰত য'ত অভিজ্ঞাতাপূৰ্ণ চলাওঁতা নাই, তাত বৃদ্ধলোকৰেই নাম লয়। (তীত ১ঃ৫-৯ পদ)

- ঈশ্বৰৰ সমাজত আমাক পহৰা দি থকা চলাওঁতাসকলক আমি মান্য কৰোঁ (ইব্ৰী ১৩ঃ১৭ পদ)।

**দহ আজ্ঞা** (সম্পৰ্কীয় ঃ পুৰণি চুক্তি, নতুন চুক্তি, যীচুৰ আজ্ঞা, বিধান।)

***পুৰণি নিয়ম ঃ*** ইস্ৰায়েলসকলৰ আচাৰ-ব্যৱহাৰৰ মূল ভেঁটিৰ কাৰণে ঈশ্বৰে শিলৰ ফলিত দহোটা আজ্ঞা খোদিত কৰিছিল। যাত্ৰাঃ ১৯-২০; যাত্ৰা ৩১ঃ১৮ পদ।

- ঈশ্বৰে এক নতুন চুক্তিৰ প্ৰতিজ্ঞা কৰিছিল, তেওঁৰ বিধানবোৰ শিলৰ পৰিবৰ্ত্তে মানুহৰ হৃদয়ত লিখা হ'ব। (যিৰিমিয়া ৩১ঃ৩১-৩৪)
- পুৰণি নিয়ম বিধানৰ অবাধ্য হোৱা বিলাকক বধ কৰা হৈছিল। গণনাপুস্তক ২৫ঃ১-১১।

***নতুন নিয়ম ঃ*** যীচুৱে আমাক তেওঁৰ আদেশবোৰ মানি চলিবলৈ কৈছিল - নতুন বিধানত আমাৰ আচাৰ ব্যৱহাৰৰ মূল ভেঁটি। মথি ২৮ঃ১৮-২০।

- যীচুৰেই হৈছে শিলৰ মূল ভেটি, তেওঁৰ বাক্যৰ বাধ্য হোৱাই হৈছে সেই শিলৰ ওপৰত ঘৰ সজাৰ একমাত্ৰ উপায়। মথি ৭ঃ২৪-২৯।
- প্ৰথম মণ্ডলীয়ে যীচুৰ সকলো আদেশবোৰ সিহঁতৰ প্ৰাথমিক পৰ্য্যায়তেই মান্য কৰিছিল। পাচনিকৰ্ম্ম ২ঃ৩৭-৪৭
- তেওঁলোক অনুতাপ কৰিলে, বিশ্বাস কৰিলে আৰু পবিত্ৰ আত্মা গ্ৰহণ কৰিলে, মাৰ্ক ১ঃ১৫; যোহন ৩ঃ১৬; ২০ঃ২২

তেওঁলোকে বাপ্তিষ্ম পাইছিল আৰু তাৰ দ্বাৰাই সূত্ৰপাত হোৱা নতুন পৰিবৰ্ত্তিত জীৱন আৰম্ভ কৰিছিল। মথি ২৮ঃ১৮-২০

দুখীয়া আৰু কষ্টত থকা বিলাকৰ প্ৰতি যত্ন লোৱা কাৰ্য্যত আৰু তেওঁলোকৰ সহভাগিতাত তেওঁলোকে ইজনে সিজনক প্ৰেম কৰা দেখা গৈছিল। ঈশ্বৰ, আমাৰ ওচৰ চুবুৰীয়া, সহঃ শিষ্যসকল আৰু প্ৰয়োজনত থকা জন , শত্ৰুবোৰ (ক্ষমা) ব্যৱহাৰিক ৰূপে-প্ৰেমৰ অন্তৰ্গত, মথি ২২ঃ৩৬-৪০; যোহন ১৩ঃ৩৪-৩৫, লূক ১০ঃ২৫-৩৭, মথি ৫ঃ৪৩-৪৮।

তেওঁলোকে পিঠা ভাঙিছিল (সহভাগিতা, আমাৰ উপাসনাৰ সৈতে সম্বন্ধ থকা), মথি ২৬ঃ২৬-২৮, যোহন ৪ঃ২৪।

তেওঁবিলাকে প্ৰাৰ্থনা কৰিছিল (ইয়াৰ ভিতৰত আছিল ব্যক্তিগত আৰু পৰিয়াল আৰাধনা, মধ্যস্থতা আৰু আত্মিক যুদ্ধ), যোহন ১৬ঃ২৪।

তেওঁলোকে দিছিল (ইয়াত আমাৰ সময়, ধন আৰু প্ৰতিভাবোৰৰ ঘৰগিৰীত্ব সাঙুৰি লোৱা আছে), লূক ৬ঃ৩৮।

তেওঁবিলাকে শিষ্য কৰিছিল (ইয়াৰ ভিতৰত আছে খ্ৰীষ্টৰ সাক্ষ্য হোৱা, মেৰ ৰখীয়া হোৱা, ঈশ্বৰৰ বাক্য শিকোৱা, চলাওঁতাবিলাকক প্ৰশিক্ষণ দিয়া, আৰু শুভবাৰ্ত্তা প্ৰচাৰক পঠোৱা) মথি ২৮ঃ১৮-২০।

- আমালৈ ঈশ্বৰৰ প্ৰধান আজ্ঞাবোৰ হ'ল ঈশ্বৰ আৰু মানুহক প্ৰেম কৰা, যিহত পুৰণি নিয়মৰ আটাইবোৰ বিধান ওলমি আছে। মথি ২২ঃ৩৩-৪০।
- ঈশ্বৰৰ আজ্ঞা অৱহেলা কৰি মানুহৰ আদেশবোৰ প্ৰয়োগ কৰা ফৰীচিবিলাকক যীচুৱে তিৰস্কাৰ কৰিছিল মাৰ্ক ৭ঃ১-২৩, মথি ২৩

***আমাৰ সমিধান ঃ*** আমাত পবিত্ৰতাৰ ফল উৎপন্ন কৰা, পবিত্ৰ আত্মাৰ দ্বাৰাই আমি পৰিচালিত হৈছো। (ৰোমীয়া ৮ঃ৩-১৬; গালাঃ ৫ঃ১৪-২৬)

- মৃত্যুৰ পুৰণি বিধানক আমি বিধি সাব্যস্ত কৰাটো এৰাই চলো আৰু জীৱনৰ নতুন নিয়ম আৰু স্বাধীনতাক আকোৱালি লওঁ। (২য় কৰিঃ ৩ঃ৩-১৮)
- পবিত্ৰ আত্মাক আমাৰ পাপৰ সম্বন্ধে আমাক প্ৰত্যয় নিয়াবলৈ দিয়ক। (যোহন ১৬ঃ৫-১৫।)

**বিশ্ৰাম বাৰ জিৰণি** (সম্বন্ধ ঃ বিধি সাব্যস্ত, বিধান)

***পুৰণি নিয়ম ঃ*** ঈশ্বৰৰ পুৰণি নিয়ম অনুযায়ী জিৰণি আৰু উপাসনাৰ বাবে বিশেষ দিন আছিল।

- পুৰণি জাগতিক সৃষ্টিৰ পিচত তেওঁ জিৰণি লোৱা কথালৈ চাই ঈশ্বৰে সপ্তম দিনটো পৃথককৈ থলে। যাত্ৰা ঃ ২০ঃ৮-১১
- বিশ্ৰাম বাৰে খৰি বুটলা মানুহক বধ কৰিবলৈ ঈশ্বৰে মানুহবিলাকক আজ্ঞা দিছিল। গণনা ১৫ঃ৩০-৩৬।

***নতুন নিয়ম ঃ*** ঈশ্বৰৰ নতুন নিয়মত উপাসনাৰ বাবে বিশেষ দিন এটা আছে।

- নতুন, অনন্তকলীয়া সৃষ্টিলৈ চাই বিশ্বাসীবিলাকে যীচুখ্ৰীষ্ট পুনৰুত্থিত হোৱা প্ৰথম দিনটোত উপাসনা কৰে।

(পাঁচনিৰ কৰ্ম্ম ২০ঃ৭)

- যীচুৱে নতুন নিয়ম ঘোষণা কৰিলে, লূক ২২ঃ১৩-২০।

***আমাৰ সমিধান ঃ*** আমি নতুন নিয়ম অনুসৰণ কৰোঁ। আমি সিদ্ধ কৰিব নোৱাৰা, মৃত্যুৰ বিধানৰ পৰা ই আমাক মুক্ত কৰিলে। (২য় কৰিঃ ৩ঃ৬-৯)

- বিশেষ দিনবোৰ পালন কৰা আৰু চুন্নৎ কৰা প্ৰথাৰ প্ৰয়োজন থকা পুৰণি নিয়ম বিধি ব্যৱস্থা আমি এৰাই চলোঁ। (গালাঃ ৪ঃ৮-১০, ৫ঃ৫-১৪)
- যিকোনো দিনত উপাসনা কৰাৰ স্বাধীনতা আমাৰ আছে। (ৰোমীয়া ১৪ঃ১-১৮)

**দেৱপূজকক শাস্তি** (সম্পৰ্কীয় ঃ সোণৰ দামূৰি, লোভ)

***পুৰণি নিয়ম ঃ*** সোণৰ দামুৰি প্ৰণিপাত কৰা সকলক ঈশ্বৰে শাস্তি দিছিল। যাত্ৰা ঃ ৩২

***নতুন নিয়ম ঃ*** মুৰ্ত্তি পূজা কৰা বিলাকক ঈশ্বৰে যুগৰ শেষত ভয়ানক মহামাৰীৰ দ্বাৰাই শাস্তি দিব। প্ৰকাঃ ৯

***আমাৰ সমিধান ঃ*** যিকোনো প্ৰকাৰৰ দেৱ পূজা এনেকি লোভৰ পৰাও পলোৱা (১ ম কৰি ১০ঃ১৪, কল ৩ঃ৫)।

**বিশ্বাস নকৰা ইস্ৰায়েল বিলাকে চল্লিছ বছৰ মৰুভূমিত ঘুৰি ফুৰিছিল** (সম্পৰ্কীয় ঃ অবাধ্যতা, অঙ্গীকৃত ঠাই, আগ্ৰিপ্প)

***পুৰণি নিয়ম ঃ*** ঈশ্বৰে ইস্ৰায়েল জাতিক অঙ্গীকৃত ঠাইৰ আশীৰ্ব্বাদ যাচিছিল, কিন্তু বিশ্বাসৰ অভাৱত তেওঁবিলাকে সেই ঠাই অধিকাৰ কৰিব নোৱাৰিলে।

- বাৰজন চোৰাংচোৱাই ঠাইখনৰ অনুসন্ধান কৰিলে কিন্তু মানুহবিলাকে যাবলৈ ভয় কৰাত চল্লিশবছৰ মৰুভূমিত ঘুৰি ফুৰি থাকিল, গণনা ঃ ১৩-১৪

***নতুন নিয়ম ঃ*** পাঁচনি পৌলে আগ্ৰিপ্প ৰজাক পৰিত্ৰাণৰ বাতৰিটো যাচিছিল কিন্তু তেওঁ বিশ্বাস কৰিবলৈ অস্বীকাৰ কৰিলে। পাঁচনিৰ কৰ্ম্ম ২৬।

***আমাৰ সমিধান ঃ*** আমি তেওঁক পাব পৰা সময়তেই বিচাৰোঁ যিচয়া ৫৫ঃ৬-৭।

**পবিত্ৰ স্থান** (সম্পৰ্কীয় ঃ পবিত্ৰ স্থান, মন্দিৰ, পৌৰোহিত্ব, মহা পুৰোহিত, যীচু আমাৰ মহা পুৰোহিত।)

***পুৰণি নিয়ম ঃ*** ঈশ্বৰে মোচিক আটাইতকৈ পবিত্ৰ স্থান, য'ত তেওঁ তেওঁৰ লোকবিলাকক লগ কৰিব পাৰে, তেনে স্থানত এটি মন্দিৰ নিৰ্মাণ কৰিবলৈ আদেশ দিছিল ঃ

- এই পবিত্ৰ স্থান নিৰ্ম্মাণ কৰিবলৈ আৰু পুৰোহিতৰ কাপোৰৰ বিষয়ে ঈশ্বৰে কঠোৰ নিৰ্দেশনা দিছিল। যাত্ৰা ঃ ২৫-৩১; যাত্ৰা ঃ ৩৫-৪০।
- গোটেই লেবীয়া পুস্তক খনত নৈবেদ্য উৎসৰ্গা কৰা আৰু পবিত্ৰ স্থানত পুৰোহিতৰ কাপোৰৰ বিষয়ে সুন্দৰকৈ বৰ্ণনা কৰিছে।
- পবিত্ৰ স্থানৰ তিনিটা ভাগ আছিল, প্ৰত্যেকটো ভাগ তলত দিয়া তালিকা অনুযায়ী সজাই থোৱা আছিল, যাত্ৰা ঃ ৪০

১) উপাসকসকলৰ বাবে বাহিৰৰ আবাস। ইয়াত হোম বলিৰ অৰ্থে এটা বেদী আৰু পুৰোহিতে হাত ধুবলৈ এটি পানীৰ চৌবাচ্ছা আছিল (যাত্ৰা ঃ ৩৮); এই বেদীয়ে খ্ৰীষ্টৰ ক্ৰুচ আৰু অনন্তকলীয়া পৰিত্ৰাণৰ অৰ্থে তেওঁ কৰা ত্যাগ আৰু জন্তু বলিদানৰ প্ৰয়োজনীয়তাত অন্ত পেলোৱা কাৰ্য্যকে সুচায়। (ইব্ৰী ঃ৯-১০) পানীৰ চৌবাচ্ছাটো বাপ্তিস্মৰ লগত তুলনা কৰিব পৰা যায়, য'ত আটাই বিশ্বাসীয়ে নিজকে ধুই নিকা কৰি লয় আৰু নতুন নিয়মৰ পুৰোহিত হয়।

২) পবিত্ৰ স্থান কেৱল পুৰোহিত সকলৰ বাবে। ইয়াত "উপস্থিতিৰ পিঠাৰে" সৈতে (প্ৰভুৰ-ভোজৰ এটি ছবি) এখন মেজ, তেলত জ্বলি থকা এটি সোণৰ লেম্প, (পবিত্ৰ আত্মাৰ এটি ছবি) আৰু সুগন্ধি ধুপৰ এখন বেদী (প্ৰাৰ্থনাৰ ছবি) আছিল।

৩) *অতি পবিত্ৰ স্থান ঃ* কেৱল মহাপুৰোহিতে বছৰত এবাৰহে প্ৰৱেশ কৰিব পাৰিছিল। খ্ৰীষ্টৰ শৰীৰক বুজোৱা এখন বিৰাট ডাঙৰ আঁৰ কাপোৰে ইয়াক পৃথক কৰি ৰাখিছিল। ইয়াতেই আটাইতকৈ পবিত্ৰ নিয়ম-চন্দুক, সোণ খটোৱা, তাৰ ওপৰত স্বৰ্গীয় দূত থকা এটি বাকচ। ইয়াৰ ওপৰত তেওঁৰ লোকবিলাকৰ মাজত ঈশ্বৰৰ উপস্থিতিক বুজাই আৰু যীচুৰ নিদৰ্শন স্বৰূপ কৰি ঈশ্বৰৰ প্ৰত্যক্ষ গৌৰৱ জিলিকি আছিল।

- মানুহবিলাকে তেওঁবিলাকৰ পাপৰ ক্ষণস্থায়ী প্ৰায়শ্চিত স্বৰূপে প্ৰাৰ্থনা গৃহৰ চোতালত তেজ উৎসৰ্গ কৰিছিল। (যাত্ৰা ২৯ঃ৩৬-৪১)
- মহা পুৰোহিতৰ পুত্ৰবিলাকে তেজ নথকাকৈ / নোহোৱাকৈ সাধাৰণ জুই অতি পবিত্ৰ স্থানত উৎসৰ্গ কৰিছিল। আৰু ঈশ্বৰে তেওঁলোককে বধ কৰিছিল। লেবী ঃ ১০
- কেৱল মহা পুৰোহিতে বছৰত এবাৰ ঈশ্বৰৰ মানুহবিলাকৰ কাৰণে প্ৰায়শ্চিত্তৰ তেজ উৎসৰ্গ কৰিবৰ অৰ্থে সেই অতি পবিত্ৰ স্থানত প্ৰৱেশ কৰিছিল। লেবী ঃ ১৬
- চলোমন ৰজাই কেবা শতাব্দীৰ পিছত এই প্ৰাৰ্থনা গৃহটোৰ ঠাইত এটি জাকজমকতা পূৰ্ণ মন্দিৰে সৈতে লৈ ফুৰিব পৰা প্ৰকাণ্ড টম্বু বহুৱালে। ১ম ৰজাঃ ৫-৬

***নতুন নিয়ম ঃ*** যীচুৱে তেওঁৰ মৃত্যু, পুনৰুত্থান আৰু স্বৰ্গাৰোহনৰ দ্বাৰাই স্বৰ্গীয় সেৱাগৃহত আমাৰ মহা পুৰোহিত স্বৰূপে প্ৰৱেশ কৰিলে।

- যীচুৱে মানুহ হোৱা হেতুকে পৰীক্ষিত হৈ দুখ ভোগ কৰি আমাৰ কাৰণে সিদ্ধ মহাপুৰোহিত হ'ল, (ইব্ৰী ২ঃ১৪-১৮)
- যীচু, যিজন চিৰকাল জীৱিত, সেইজনে পুৰণি মহাপুৰোহিত আৰু ইয়াৰ লগত সম্বন্ধ থকা সকলো উৎসৰ্গ আৰু কাৰ্য্যবোৰ সলনি কৰিলে। ইব্ৰী ৭-৯

***আমাৰ সমিধান ঃ*** দৃঢ় বিশ্বাসেৰে ঈশ্বৰৰ কাষ চপা, অবিৰত চেষ্টা আৰু আন বিশ্বাসীবিলাকক অনুপ্ৰাণিত কৰা। ইব্ৰী ১০

## **প্ৰধান আজ্ঞা - এজনা সত্য ঈশ্বৰক প্ৰেম কৰা** (সম্পৰ্কীয় ঃ ল'ৰা-ছোৱালী, বিবাহ)

***পুৰণি নিয়ম ঃ*** ঈশ্বৰ এজনা - আমি তেওঁক আমাৰ সকলো হৃদয়েৰে সৈতে প্ৰেম কৰিব লাগে, আৰু আমাৰ ল'ৰা-ছোৱালী বিলাকক তেওঁৰ বিধান মানি চলিবলৈ শিকাব লাগে। দ্বিতীয় বিৱৰণ ৬ঃ১-৯।

***নতুন নিয়ম ঃ*** যীচুৱে বিবাহৰ কাৰণে নিৰ্দেশনা দিছিল আৰু তেওঁ ল'ৰা-ছোৱালীবিলাকক আশীৰ্ব্বাদ কৰে, মথি ৫ঃ৩১-৩২; মথি ১৯ঃ১৩-১৫।

***আমাৰ সমিধান ঃ*** স্বামীবিলাকে তেওঁলোকৰ পত্নীবিলাকক প্ৰেম কৰিব লাগে আৰু তেওঁলোকে তেওঁলোকৰ স্বামীৰ বশীভূত হ'ব লাগে। ইফিঃ ৫ঃ২১-৩৩।

- পৌলে ল'ৰা-ছোৱালীবিলাকক তেওঁলোকৰ পিতৃ-মাতৃৰ বাধ্য হ'বলৈ আৰু পিতৃবিলাকক তেওঁলোকৰ সন্তানবিলাকক বিশ্বাসৰ বিষয়ে শিক্ষা দিবলৈ নিৰ্দেশ দিছে। ইফিঃ ৬ঃ১-৪।

## **যাদু বিদ্যা নিষিদ্ধ** (সম্বন্ধ থকা ঃ প্ৰেতাত্মা, জ্যোতিষ, যীচুৱে দুষ্ট আত্মাক জয় কৰিলে, ভূত, চয়তানৰ ধ্বংস)

***পুৰণি নিয়ম ঃ*** ঈশ্বৰে মোচিক যাদুবিদ্যা, মৃতকৰ লগত সম্পৰ্ক ৰখা আৰু আত্মাৰ লগত কথা পতা কামবোৰ কৰিবলৈ নিষেধ কৰিছিল। দ্বিতীয় বিৱৰণ ১৮ঃ৯-১২।

- চৌল ৰজাই অয়িন-দোৰৰ ভূত পোহা তিৰোতাৰ লগত এখন যুদ্ধৰ বিষয়ে আলোচনা কৰাত ঈশ্বৰে তেওঁৰ ৰাজত্বৰ সমাপ্তি ঘটালে। ১চমুঃ ২৮ঃ৬-২৫; ১চমুঃ ৩১।

***নতুন নিয়ম ঃ*** খ্ৰীষ্টই সকলো দুষ্ট আত্মা, আনকি চয়তানকো পৰাজয় কৰিলে।

- অন্য অনেকৰ মাজৰ উপৰিও যীচুৱে অনেক গাদাৰীয়া লোকৰ পৰা ভূতবোৰ খেদাই গাহৰি বিলাকৰ মাজত

সোমাবলৈ দিলে। মথি ৮ঃ২৮-৩৪, মথি ১২ঃ২২-৩২।

- খ্রীষ্টে শেষৰ দিনা চয়তান আৰু তাৰ ৰাজত্ব চিৰকালৰ বাবে নাশ কৰিব। প্ৰকাঃ১২, প্ৰকাঃ ২০ঃ১-১০।

***আমাৰ সমিধান ঃ*** সকলো ভৌতিক বিদ্যাৰ পৰা আতৰি থকা আৰু ভূতে পোৱা সকলৰ কাৰণে প্ৰাৰ্থনা কৰক। (গালাঃ ৫ঃ১৯-২১; লূক ১০ঃ৯)

**জুইৰ দ্বাৰা পৰীক্ষা** (সম্বন্ধ থকা ঃ স্বৰ্গত ধন, স্বৰ্গ)

***পুৰণি নিয়ম ঃ*** ঈশ্বৰে যুদ্ধত লুটি নিয়া সম্পত্তিবোৰ তেওঁৰ পবিত্ৰ ছাউনিত নিষিদ্ধ কৰিলে; অলঙ্কাৰ, মণি, বহুমূলীয়া পাথৰবোৰ জুইৰ মাজেদি পৰীক্ষিত হ'ল। গণনাপুস্তক ৩১

***নতুন নিয়ম ঃ*** ঈশ্বৰে আমাক সাৱধান কৰি দিছে যে আমি কোনো নিষিদ্ধ বস্তু স্বৰ্গলৈ নিব নোৱাৰো - আমাৰ কৰ্ম্মবোৰ অগ্নিৰ দ্বাৰাই পৰীক্ষা কৰা হ'ব। ১কৰিঃ ৩ঃ১০-১৫

- যীচুৱে মূৰ্খ ধনীৰ বিষয়ে যি দৃষ্টান্ত দিছিল, তাত লোভ আৰু ধনৰ প্ৰতি আকৰ্ষিত নহ'বলৈ সাৱধান কৰিছে, লূক ১২ঃ১৪-৩১।

***আমাৰ সমিধান ঃ*** পৃথিৱীৰ সলনি স্বৰ্গত নিজলৈ ধন সাঁচা, (মথি ৬ঃ১৯-২১)

**বালামৰ ইৰ্ষান্বিত আশীৰ্ব্বাদ** (সম্বন্ধ থকা ঃ বালাম, লোভ, ধনৰ হেঁপাহ, বস্তুবাদ, ধন-ঐশ্বৰ্য্য)

***পুৰণি নিয়ম ঃ*** কিছুমানে তেওঁলোকৰ সম্পত্তি ঈশ্বৰৰ কাৰ্য্যৰ বাবে ব্যৱহাৰ কৰিছিল; আন কিছুমানে ইয়াক ভূলকৈ লোভ কৰিছিল বা স্বাৰ্থপৰ ভাবে ব্যৱহাৰ কৰিছিল।

- ইস্ৰায়েল বিলাকক শাও দিবলৈ বালাকে বালামক কৈছিল। তেওঁলোকক বালামে আশীৰ্ব্বাদ কৰিবলৈ ঈশ্বৰে গাধ আৰু আন উপায়বোৰ ব্যৱহাৰ কৰিছিল। গণনা ঃ ২২-২৪।
- চহকী নাবলে স্বাৰ্থপৰ ভাবে দায়ুদৰ ভোকাতুৰ সৈন্যবিলাকক আহাৰ দিয়া নাছিল, কিন্তু ঈশ্বৰে পৰিস্থিতিটো সলনি কৰি দিছিল। ১ চমুঃ ২৫
- হিষ্কিয়া ৰজাই বাবিলনৰ পৰা অহা দূতসকলক ৰাজকীয় ঐশ্বৰ্য্যবোৰ দেখুৱাইছিল - আৰু সেইবিলাক হেৰুৱাইছিল। ২ ৰজাঃ ২০ঃ১২-১৯।
- চলোমন ৰজাৰ অপাৰ ধন-ঐশ্বৰ্য্য আৰু কেবাগৰাকীও পত্নী আছিল আৰু সকলো আমোদ-প্ৰমোদত আসক্ত আছিল - কিন্তু সকলোবোৰ অসাৰ আছিল। উপঃ ২ঃ১-১১।

***নতুন নিয়ম ঃ*** যীচুৱে এজন স্বাৰ্থপৰ ধনী মানুহৰ দৃষ্টান্তৰে ধন লুকুৱাই ৰখাৰ বিষয়ে সাৱধান কৰি দিছিল, যিজনে পৰলোকত প্ৰৱেশ কৰিবলগা হৈছিল। লূক ১৬ঃ১৯-৩১।

***আমাৰ সমিধান ঃ*** ধন-সম্পত্তি থকা বিশ্বাসীসকলে বা যিসকলে ধন-সম্পত্তি পাবলৈ আশা কৰে, আমি ঈশ্বৰৰ সেই সাৱধানবাণী যিহে আমালৈ ক্ৰন্দন বা বেদনা আনিব, তালৈ মনোযোগ দিওঁ। (যাকোব ৫ঃ১-৬)।

## ইস্ৰায়েল দেশৰ বিচাৰকৰ্ত্তা সকলৰ দিনৰ ঘটনাবোৰৰ লগত মিল থকা পিছৰ ঘটনাবোৰ।

**যিহোচূৱাই প্ৰতিজ্ঞাৰ দেশ জয় কৰিলে** (সম্বন্ধ থকা ঃ যুদ্ধ, মণ্ডলী স্থাপন, প্ৰচাৰকসকল।)

***পুৰণি নিয়ম ঃ*** প্ৰতিজ্ঞাৰ দেশ অধিকাৰ কৰা দেৱপূজক জাতিবোৰক যুদ্ধত হৰুৱাই ঈশ্বৰৰ কাৰণে জয় কৰিছিল ঃ

- ঈশ্বৰে যিহোচূৱাক সাহসী হ'বলৈ আৰু দেৱপূজক জাতিবোৰক প্ৰতিজ্ঞাৰ দেশৰ পৰা খেদি পঠাবলৈ আদেশ কৰিছিল। যিহোচূৱা ১ঃ১-১১।
- পৌত্তলিক নগৰ যিৰোহাৰ পতন হৈছিল। যিহোচূৱা ৬।

- এজন বিশ্বাসঘাটক মূৰ্ত্তি পূজাৰ বাবে যিহোচূৱাৰ সৈন্যক ঈশ্বৰে অলপ সময়ৰ বাবে হাৰিব দিছিল। যিহোচূৱা ৭-৮।
- দেশখন অধিকাৰ কৰিবৰ অৰ্থে যিহোচুৱাই অনেক শক্তিশালী ৰজাক সৈন্য অভিযানত হৰুৱাইছিল। যিহোচূৱা ৯-১১।

***নতুন নিয়ম ঃ*** পাঁচনিবিলাকে দেৱপূজা কৰা দেশবিলাকলৈ শুভবাৰ্ত্তা লৈ যোৱাৰ দ্বাৰাই চয়তানক পৰাজয় কৰি ঈশ্বৰৰ কাৰণে জয় কৰিছিল ঃ

- আন্তিয়খিয়ত খ্ৰীষ্টিয়ান সমাজে মিশ্যনেৰী সকলক নিয়োগ কৰি প্ৰথমবাৰ দীৰ্ঘ দিনৰ বাবে পঠিয়াইছিল। পাঁচনিৰ কৰ্ম্ম ১৩ঃ১-৩।
- পৌল আৰু বাৰ্ণব্বাই শুভবাৰ্ত্তা প্ৰচাৰ কাৰ্য্যৰ বাবে দূৰ দেশ আৰু আন আন সংস্কৃতিৰ মাজলৈ দীঘলীয়া যাত্ৰা কৰিছিল। পাঁচনিৰ কৰ্ম্ম ১৩-১৪; পাঁচনি ঃ ১৬-২১।
- বন্দীশালত হলেও পৌলে যিহুদী চলাওঁতা আৰু নাস্তিক শাসনকৰ্ত্তা ফেষ্টাচ আৰু আগ্ৰিপ্পৰ আগত যীচুক ঘোষণা কৰিছিল। পাঁচনিৰ কৰ্ম্ম ২০ঃ২৬।

***আমাৰ সমিধান ঃ*** আপোনাৰ জাকক ঈশ্বৰে দিয়া পাঁচনিবিলাকক অৱহেলিত ক্ষেত্ৰবোৰলৈ পঠিয়াই দিয়ক। (ইফি: ৪ঃ১১-১২; পাঁচনিৰ কৰ্ম্ম ১ঃ৮)

- ঈশ্বৰৰ ৰাজ্য গোটেই পৃথিৱীত বিয়পি যোৱা বাবে আজি পাঁচনিবিলাকে চয়তানক পিচলৈ খেদি পঠিয়াই আছে (প্ৰকাঃ ১৫ঃ৪)
- সাহসেৰে ঈশ্বৰৰ শত্ৰুবোৰৰ সন্মুখীন হোৱা আৰু তাৰ দ্বাৰাই যি কষ্ট পোৱা যায় তাক সহন কৰক। (মথি ১০ঃ১৬-৪২)

**ইস্ৰায়েলৰ ঈশ্বৰৰ দ্বাৰাই পৰজাতিবিলাক আশীৰ্ব্বাদ প্ৰাপ্ত হৈছিল** (সম্বন্ধ ঃ ৰাহাব, ঈশ্বৰৰ ৰাজ্যলৈ অনা বিদেশীসকল, খ্ৰীষ্টৰ মণ্ডলী হৈছে সকলো জাতিৰ সমষ্টি।)

***পুৰণি নিয়ম ঃ*** পুৰণি নিয়মত ঈশ্বৰে বিশ্বাসী বিদেশী তেওঁৰ ইস্ৰায়েল লোকৰ মাজত সুমুৱাই লৈছিল।

- কনানীয়া বেশ্যা ৰাহাবে বিশ্বাসেৰে ঈশ্বৰৰ চোৰাংচোৱা বিলাকক লুকুৱাই ৰাখিছিল আৰু যিৰীহো নগৰ পতন হোৱাত তেওঁলোকৰ জীৱন ৰক্ষা পৰিল। যিহোচূৱা ২; যিহোচূৱা ৬ঃ১৭।
- মোৱাবীয়া বিধবা ৰূথে তেওঁৰ শাহু নয়মীৰ প্ৰতি মৰম লাগি ইস্ৰায়েললৈ আহিছিল আৰু ঈশ্বৰত ভাৰসা কৰিছিল। ৰূথ আৰু ৰাহাব দুয়োগৰাকীয়েই খ্ৰীষ্টৰ বংশৰ তালিকাত আছে। ৰূথ আছিল ৰজা দায়ূদৰ আজু আইতা। ৰূথ - প্ৰেমৰ এটি সুন্দৰ কাহিনী।
- চিৰিয়া দেশৰ সেনাধ্যক্ষই তেওঁৰ অহংকাৰৰ সৈতে যুঁজ কৰাৰ পিছত যৰ্দ্দন নদীত স্নান কৰিলে আৰু ঈশ্বৰে তেওঁৰ কুষ্ঠৰোগ সুস্থ কৰিলে। ২ ৰজাঃ ৫।

***নতুন নিয়ম ঃ*** খ্ৰীষ্টৰ মণ্ডলীয়ে সকলো জাতিকে সামৰি লয় ঃ

- চিদোনৰ তিৰোতা এগৰাকীৰ বিশ্বাসক পৰীক্ষা কৰি যীচুৱে পুৰস্কৃত কৰিছিল। মথি ১৫ঃ২১-২৮।
- এগৰাকী ৰোমীয় এশৰ সেনাপতিৰ দাসক সেনাপতিজনৰ বিশ্বাসৰ বাবেই যীচুৱে সুস্থতা দান কৰিলে। লূক ৭ঃ১-১০।
- পাঁচনি পৌলে ধৰ্ম্ম প্ৰচাৰৰ অৰ্থে অনেক দেশলৈ যাত্ৰা কৰিছিল। পাঁচনিৰ কৰ্ম্ম ১৩-১৪; পাঁচনিৰ কৰ্ম্ম ১৭-২০।

***আমাৰ সমিধান ঃ*** যীচুৱে আমাক শুভবাৰ্ত্তা প্ৰচাৰ কৰিবলৈ আৰু সকলো জাতিকে শিষ্য কৰিবলৈ আজ্ঞা কৰিছে। লূক ২৪ঃ৪৬-৪৮; মথি ২৮ঃ১৮-২০।

**গিদিয়নে দুৰ্ব্বলতাত শক্তি বিচাৰি পাইছিল** (সম্বন্ধ ঃ গিদিয়ন, দায়ূদে গলিয়াথক বধ কৰা, পিতৰৰ অস্বীকাৰ, আত্মিক যুঁজ।)

*পুৰণি নিয়ম ঃ* পুৰণি নিয়মত শক্তিশালী সকলক পৰাজয় কৰিবৰ বাবে ঈশ্বৰে দুৰ্ব্বল বিলাককহে ব্যৱহাৰ কৰিছিল।

- ৩০০ সৈন্য লগত লৈ গিদিয়নে ঈশ্বৰৰ আচৰিত নিৰ্দেশনাক অনুসৰণ কৰিছিল আৰু এক বিশাল সৈন্যক হৰুৱাইছিল, বিচাৰকৰ্ত্তা ৬-৭।
- ভেড়াৰখীয়া দায়ূদে পলেষ্টীয়া মহাবীৰক হৰুৱাইছিল ১ চমূ ঃ১৭।

*নতুন নিয়ম ঃ* ঈশ্বৰে নতুন নিয়মত দুৰ্ব্বল আৰু দোষী ব্যক্তিসকলক মহান কামৰ অৰ্থে ব্যৱহাৰ কৰিছিল।

- পিতৰে যীচুক অস্বীকাৰ কৰিছিল, কিন্তু তেওঁ পবিত্ৰ আত্মা লাভ কৰাৰ পিচত ঈশ্বৰে তেওঁক অতি আশ্চৰ্য্যজনক ভাবে ব্যৱহাৰ কৰিছিল। মথি ২৬ঃ৩১-৩৫, ৬৯-৭৫।

*আমাৰ সমিধান ঃ* আমাৰ পাপ আৰু দুৰ্ব্বলতাবোৰ ঈশ্বৰৰ আগত স্বীকাৰ কৰক।

- মানুহৰ জ্ঞান আৰু ধনত নহয়, ঈশ্বৰৰ শক্তিত ভাৰসা কৰা। (১কৰিঃ ১-২)
- পৌলে কোৱাৰ দৰে “খ্ৰীষ্টৰ শক্তিৰ দ্বাৰাই মই সকলো কৰিব পাৰো।” (ফিলিঃ ৪ঃ১৩) শক্তিৰ বাবে প্ৰাৰ্থনা কৰা।
- ঈশ্বৰে দিয়া ধাৰ্ম্মিকতাৰ বুকুবৰি পিন্ধি আৰু অস্ত্ৰ-শাস্ত্ৰ লৈ ধৰ্ম্মযুদ্ধ ঘোষণা কৰা। (ইফিঃ ৬ঃ১০-১৮)

**ৰূথ** (সম্বন্ধ ঃ মহিলা চলাওঁতা, সন্মানিত মহিলাসকল।)

*পুৰণি নিয়ম ঃ* ঈশ্বৰে ৰূথ, দবোৰা আৰু ইষ্টেৰৰ দৰে বিশ্বাসী মহিলাবিলাকক তেওঁৰ কাৰ্য্য কৰিবলৈ সমৰ্থ কৰে।

- দবোৰাই ইস্ৰায়েলক মুকলি কৰিবলৈ এক সাহসী সামৰিক অভিযান পৰিচালনা কৰিছিল। বিচাৰকৰ্ত্তাবিলাক ৪-৫। ৰূথ আৰু ইষ্টেৰৰ পুস্তক কেইখনো চাওক।

*নতুন নিয়ম ঃ* নতুন নিয়মত ঈশ্বৰে বিশ্বাসী মহিলাবিলাকক তেওঁৰ কাৰ্য্য কৰিবলৈ সমৰ্থবান কৰিছে।

- মৰিয়মে প্ৰভুৰ দাসী হ’বলৈ সন্মত হ’ল আৰু প্ৰশংসাৰ এক মহৎ প্ৰাৰ্থনাৰ গীত গালে, লূক ১ঃ২২-৫৬।
- প্ৰিষ্কিলাই তেওঁৰ স্বামীৰ সৈতে লগ লাগি তম্বু নিৰ্মাণ কৰিলে আৰু সেইদৰে কেবাটাও খ্ৰীষ্টিয় সমাজ আৰম্ভ কৰাত সহায় কৰিলে আৰু আপল্লোক উপদেশ দিলে, পাঁচনিৰ কৰ্ম্ম ১৮।
- দৰ্কাই দৰিদ্ৰবিলাকৰ কাৰণে কাপোৰ বনাইছিল। পাঁচনি ৯ঃ৩৬-৪৩।

*আমাৰ সমিধান ঃ*

- মহিলাবিলাকক সন্মান কৰা আৰু সন্মান যঁচা আৰু বিশ্বাস কৰা গুণৱতী তিৰোতাবিলাকৰ প্ৰশংসা কৰক। (হিতোঃ ৩১ঃ১০-৩১; ইফি ৫ঃ২১-৩৩)
- ঈশ্বৰে প্ৰচাৰ কাৰ্য্যৰ নিমিত্তে মহিলাবিলাকক যিদৰে অনুগ্ৰহ দান কৰিছে সেইদৰে কাৰ্য্য কৰিবলৈ তেওঁলোকক উদ্‌গনি দিয়ক। (উদাহৰণঃ ফিলিপৰ জীয়েকবিলাক, পাঁচনি ২১ঃ৮-৯)

**পলেষ্টীয়াবিলাকে অতিকৈ পবিত্ৰ নিয়ক চন্দুক অধিকাৰ কৰিলে** (সম্বন্ধ ঃ শাস্তি, দুখভোগ, নিয়ম-চন্দুক, ষ্টিফেন, তাড়না, শ্বহীদ)

*পুৰণি নিয়ম ঃ* ঈশ্বৰে দুষ্ট লোকবিলাকক তেওঁৰ অবাধ্য সন্তানবিলাকক শাস্তি দিবলৈ, আৰু নিজৰ মঙ্গলৰ অৰ্থে ধাৰ্ম্মিক লোকসকলক কষ্ট পাবলৈ দিলে ঃ

- ঈশ্বৰৰ লোকসকলে কেনেকৈ মূৰ্ত্তিপূজা কৰা আৰু আন পাপবোৰৰ কবলত পৰিল আৰু মূৰ্ত্তিপূজক বিলাকক ঈশ্বৰে কেনেকৈ তেওঁলোকক দমন কৰিবলৈ দিলে সেই বিষয়ে বিচাৰকৰ্ত্তাবিলাকত অনেক উদাহৰণবোৰ

আছে। তেওঁবিলাকে যেতিয়া অনুসুচনা কৰিলে, ঈশ্বৰে এজন উদ্ধাৰকৰ্ত্তা পঠালে আৰু তেওঁবিলাকে যেতিয়ালৈকে পুনৰায় পাপ নকৰিলে তেতিয়ালৈকে শান্তিৰে বসবাস কৰিলে।

- চিমচোন মানসিক ভাবে দুৰ্ব্বল হলেও, ঈশ্বৰে তেওঁক দেৱপুজক পলিষ্টীয়া বিলাকৰ পৰা ইস্ৰায়েলক মুক্ত কৰিবলৈ ব্যৱহাৰ কৰিছিল। বিচাৰকৰ্ত্তা ঃ ১৪-১৬।
- পলিষ্টীয়া বিলাকে নিয়ম-চন্দুক তেওঁলোকৰ হাতলৈ নি দাগোন মন্দিৰত থলে। যীচুৱে যিদৰে পুৰণি সৰ্প চয়তানৰ মৰণৰ ৰাজ্যত প্ৰৱেশ কৰিছিল কিন্তু তৃতীয় দিনা পুনৰুত্থিত হৈ বন্দীবিলাকক মুক্ত কৰিবলৈ তাৰ মূৰটো ভাঙিলে, ঠিক সেইদৰে তৃতীয় দিনা দাগোনৰ মূৰটো ভাঙি পৰিল। খ্ৰীষ্টই যিদৰে পুনৰুত্থিত হোৱাৰ পাচত তেওঁৰ শিষ্যবিলাকৰ আগত দৰ্শন দিলে আৰু স্বৰ্গলৈ উঠিল, ঠিক সেইদৰে গৰু কেইটাই, সিহঁতক চলাই নিবলৈ কোনো মানুহ নোহোৱা হেতুকে চন্দুকটো ইস্ৰায়েলক ঘুৰাই দিলে। ১ চমুৱেল ৪-৬।
- ইয়োব এজন অতি ধাৰ্ম্মিক লোক আছিল কিন্তু তেওঁ অনেক কষ্ট ভোগ কৰিব লগাত পৰিছিল। তেওঁ ঈশ্বৰক প্ৰশ্ন কৰিছিল, কিন্তু কেতিয়াও তেওঁৰ বিৰুদ্ধে যোৱা নাছিল। ইয়োব ১-৪২ (ই এটা দীঘলীয়া কাহিনী গতিকে চমু কৰি ক'ব অথবা ভাগ ভাগ কৰি শিকাব। মুখ্য অধ্যায়বোৰ হ'ল ইয়োব ১-৪ আৰু ৪০-৪২)

***নতুন নিয়ম ঃ*** ঈশ্বৰে আমাক এতিয়া কষ্ট কৰিবলৈ দিছে যাতে পিছত তেওঁৰ গৌৰৱৰ ভাগি হ'ব পাৰো; তেওঁৰ সন্তানবিলাকক যিবিলাকে উৎপীড়ন কৰে তেওঁবিলাকক ঈশ্বৰে শাস্তি দিয়ে।

- হেৰোদ ৰজাই যোহন বাপ্তাইজকৰ মূৰটো কাটিলে আৰু যাকোব আৰু আনবিলাকক বধ কৰিছিল, কিন্তু পিছত তেওঁক পোকবোৰে খাই পেলালে, পাঁচনি ঃ ১২।
- অবিশ্বাসী যিহুদীবিলাকে স্তিফানক যিৰূচালেম নগৰত শিল দলিয়াই মাৰিলে আৰু খ্ৰীষ্টিয়ানবিলাকক তাড়না কৰিছিল। ফলত তেওঁবিলাকে অনেক ঠাইত শুভবাৰ্ত্তা বিলাবলৈ সঁচৰিত হৈ পৰিল - অনেকৰ বাবে আশীৰ্ব্বাদ স্বৰূপ হ'ল, পাঁচনি ঃ ৭-৮।
- যিহুদীবিলাক দ্বাৰাই পাঁচনি পৌলে মাৰ খাইছিল, তেওঁলৈ শিল দলিয়াইছিল, তেওঁক লুট কৰা হৈছিল আৰু তেওঁৰ জাহাজ ভাঙিছিল। ২কৰি ১১ঃ২২-৩৩; পাঁচনি ২৭-২৮।

***আমাৰ সমিধান ঃ*** খ্ৰীষ্টৰ কাৰণে যেতিয়া দুখ ভোগ কৰোঁ আমি আনন্দ কৰোঁহক কাৰণ আমাৰ সেই গৌৰৱৰ পুৰস্কাৰ অতি মহান হ'ব। ১ পিতৰ ৪ঃ১২-১৯।

- আমি জগতত দুখ ভোগ কৰোঁ কাৰণে জগতে খ্ৰীষ্টক ঘিনাইছিল আৰু আমাকো ঘিনায় কিন্তু আমি পুৰস্কৃত হ'ম। (যোহন ১৫ঃ১৮-২৭; ৰোমীয়া ৮ঃ১৭-৩৯)
- যীচুৱে দিয়া ক্ৰুচডাল আমি বহন কৰক। (লূক ৯ঃ২২-২৬)

## ইস্ৰায়েলৰ ৰজাবিলাকৰ সময়ৰ ঘটনাবোৰৰ লগতে সেই একেধৰণৰ পিচৰ ঘটনাবোৰ

**ঈশ্বৰে ইস্ৰায়েলৰ চলাওঁতাবিলাকক প্ৰস্তুত কৰিছিল** (সম্পৰ্কীয় ঃ চমুৱেল, হান্না, এলি, চৌল ৰজা, যিচয়া, পাঁচনিবিলাকৰ প্ৰস্তুতকৰণ।)

***পুৰণি নিয়ম ঃ*** ঈশ্বৰে যোচেফ, মোচি আৰু দানিয়েল আদি কৰি তেওঁৰ ভাববাদী আৰু চলাওঁতাবিলাকক বেলেগ বেলেগ ধৰণে প্ৰস্তুত কৰিছিল।

- মোচিয়ে মিচৰৰ ৰাজকাৰেঙৰ ধন ঐশ্বৰ্য্য ত্যাগ কৰি তেওঁৰ লোকবিলাকক পৰিচৰ্য্যা কৰিবৰ বাবে লাজ, অপমান ভোগ কৰিছিল। (ইব্ৰী ১১ঃ২৪-২৮)
- হান্নাই তেওঁৰ সন্তান চমুৱেলক ঈশ্বৰৰ পৰিচৰ্য্যা কৰিবৰ অৰ্থে পুৰোহিতক গতাই দিছিল; চমুৱেলে এলীৰ কাৰণে এটি চমকপ্ৰদ বাতৰি পাইছিল, ১ চমুঃ ১-৩।

- ইস্ৰায়েলবিলাকে তেওঁলোকক পৰিচালনা কৰিবৰ বাবে এজন ৰজাক অভিষেক কৰিবলৈ চমুৱেলক বৰকৈ অনুৰোধ কৰিছিল আৰু তেওঁ ইয়াৰ প্ৰতিক্ৰিয়া কি হ'ব পাৰে সেই বিষয়ে তেওঁলোকক সাৰধান কৰি দিছিল, কিন্তু তেওঁলোকে নেৰানেপেৰাকৈ ধৰাত এজন প্ৰতাপী যুজাৰু, চৌলক মানুহবিলাকক আনন্দিত কৰিবলৈ অভিষেক কৰিলে। ১ চমুঃ ৮-১০।
- চৌলে ইস্ৰায়েলৰ অনেক শত্ৰুক পৰাজয় কৰি ভালেই ৰাজত্ব কৰিছিল, কিন্তু কিছুমান সাংঘাতিক ভুল কামো কৰিলে, ১ চমুঃ ১১-১৫।
- মোচিৰ নিচিনাকৈ দায়ূদে তেওঁৰ পিতৃ যিচয়াৰ মেৰবিলাক লৰালি কালৰ পৰাই চৰাই ভাল ভেৰাৰখীয়া হ'বলৈ শিকিছিল। ১ চমুঃ ১৬; ১ চমুঃ ১৭ঃ৩৩-৩৭।
- দায়ুদ এজন পৰাক্ৰমী যুজাৰু আছিল কিন্তু চৌলে হিংসা কৰাত তেওঁ পলাই ফুৰিবলৈ আৰু লুকাই থাকিব লগাত পৰিছিল। ঈশ্বৰে ইয়াৰ দ্বাৰাই তেওঁৰ ওপৰত ভাৰসা কৰিবলৈ দায়ুদক শিক্ষা দিছিল। (বেছিভাগ গীতমালাই প্ৰকাশ কৰিছে) ১ চমুঃ ১৮-৩১। এই অধ্যায়বোৰত অনেক যুদ্ধৰ কাহিনী আছে।
- যিচয়াই প্ৰভুৰ মন্দিৰত এক ভয়ানক দৰ্শন দেখা পাইছিল আৰু নিজকে ইমান পাপী অনুভৱ কৰিছিল যে তেওঁ পৰি গৈছিল, যিচয়া ৬ অধ্যায়।
- যিৰিমিয়াই যেতিয়া যিৰূচালেমৰ বিনাশ হ'ব বুলি ভাববাণী কৰাত তেওঁক গাঁতত পুতি থোৱাৰ পৰা আৰম্ভ কৰি অনেক ধৰণৰ দুখভোগ কৰিছিল, যিৰিঃ ৩৮।

***নতুন নিয়ম ঃ*** নতুন নিয়মত ঈশ্বৰে তেওঁৰ চলাওঁতাবিলাকক প্ৰস্তুত কৰিছিল।

- পিতৰ আৰু আন প্ৰথম এঘাৰজন পাঁচনিয়ে তেওঁলোকৰ প্ৰভু যীচুৰ লগত তিনিবছৰ কাল ঘুৰি ফুৰিছিল। মাৰ্ক ৩ঃ১৩-১৯।
- পাঁচনি পৌলে তেওঁৰ প্ৰচাৰ কাৰ্য্য আৰম্ভ কৰাৰ আগতে অনেক দুঃখভোগ সহন কৰিছিল আৰু তেওঁৰ পাঁচনি কাম আৰম্ভ কৰাৰ আগেয়ে তেওঁ আৰবত সময় কটাইছিল। গালাঃ ১ঃ১১-২৪।

***আমাৰ সমিধান ঃ*** ত্যাগৰ কৰাৰ আগেয়ে, প্ৰভুৰ পৰিচৰ্য্যা কৰিবলৈ নিজকে ভালকৈ প্ৰস্তুত কৰি লওঁহক।

- এতিয়া যেনেকৈ তুমি ঈশ্বৰৰ বাক্য অধ্যয়ন কৰি আছা তেনেকৈ অধ্যয়ন কৰা আৰু তোমাৰ পৰিয়াল, তোমাৰ লোকবিলাকক আৰু নতুন চলাওঁতাবিলাকক ইয়াক শিকোৱাই হৈছে প্ৰস্তুতিকৰণ। ২ তীমথিয় ২ঃ২।

**ইস্ৰায়েলৰ ভাল ৰজাসকল** (সম্পৰ্কীয় ঃ দায়ূদৰ ভাল ৰাজত্ব, চলোমন, বাধ্যতা, চিবাৰ ৰাণী, ইস্ৰায়েলৰ ভাল ৰজাসকল, বৃদ্ধলোকসকল।)

***পুৰণি নিয়ম ঃ*** দায়ুদ আৰু তেওঁৰ পুত্ৰ চলোমনৰ দৰে ভাল চলাওঁতা বিলাকে যেতিয়া মূৰ্ত্তিপূজা কৰা বাদ দি তেওঁৰ বাধ্য হ'ল, তেতিয়া তেওঁবিলাকক ঈশ্বৰে তেওঁৰ লোকবিলাকক শাসন কৰিবলৈ দিলে; আৰু যেতিয়া তেওঁলোকে মূৰ্ত্তিপূজা কৰিবলৈ ধৰিলে বেয়া ৰজাবিলাকক নিষ্ঠুৰভাৱে শাসন কৰিবলৈ দিলে। বেছিভাগ ৰজাই বেয়া আছিল।

- চলোমনে ঈশ্বৰৰ পৰা জ্ঞান বিচাৰি তেওঁৰ ৰাজত্বকাল আৰম্ভ কৰিছিল। তেওঁৰ উচিত সিদ্ধান্তবোৰে দূৰ দেশৰ মানুহবিলাকক আকৰ্ষণ কৰিছিল। ১ ৰজাঃ ৩; ৪ঃ২১-৩৪।
- চলোমনে ঈশ্বৰৰ মন্দিৰ নিৰ্মাণ কৰিছিল আৰু জাকজমকপূৰ্ণ অনুষ্ঠানেৰে নিয়ম-চন্দুক তালৈ লৈ আনিছিল। ১ ৰজাঃ ৮।
- চিবাৰ ৰাণীয়ে চলোমনৰ গৌৰৱ চাবৰ বাবেই ইমান দূৰৰ পৰা আহিছিল আৰু তেওঁৰ জ্ঞান আৰু ঐশ্বৰ্য্য দেখি বিস্ময় মানিছিল। ১ ৰজাঃ ১০ঃ১-১৩।
- চলোমনৰ শাসনকালত ইস্ৰায়েলে অসীম শ্ৰীবৃদ্ধি ভোগ কৰিছিল। ১ ৰজাঃ ১০ঃ২২-২৯।
- যিহোচাফেটে আটাই প্ৰতিমাবোৰ আঁতৰাই পেলাইছিল আৰু অনা-অনুষ্ঠানিক শিক্ষাৰ দ্বাৰাই ইস্ৰায়েলৰ আটাই লোককে ঈশ্বৰৰ বিধান শিকাইছিল। ২ বংশাঃ ১৭-১৮।

- ল'ৰা ৰজা যোচিয়াই তেওঁৰ পৰামৰ্শদাতা বিলাকৰ কথা শুনিছিল আৰু ইস্ৰায়েললৈ আত্মিক নতুনত্ব আনিছিল। ২ ৰাজাঃ ২২-২৩।
- উজ্জিয়া আৰু আচা ৰজাৰ দৰে হিষ্কিয়াই যিহুদালৈ শ্ৰীবৃদ্ধি আনিছিল। ২ বংশাৱলি ২৯-৩২।

***নতুন নিয়ম ঃ*** ঈশ্বৰে তেওঁৰ বাক্য আৰু পবিত্ৰ আত্মাৰ পৰিচালনাক অনুসৰণ কৰা ভাল চলাওঁতাবিলাকক তেওঁৰ সমাজখনৰ পৰিচৰ্য্যা কৰিবলৈ দিছিল।

- ক্ৰীতিৰ নতুন মানুহখিনিক চলাই নিবৰ কাৰণে পৌলে তেওঁৰ ন-শিকাৰু তীতক উচিত ধৰণৰ বৃদ্ধলোকৰ নাম দিবলৈ কৈছিল। তীত ১ঃ৫-৯

**ইস্ৰায়েল ভাববাদীসকল** (সম্পৰ্কীয় ঃ সাৱধান, এলিয়া, আহাব, বাল, অনুতাপ, ভাঁৰি কোৰা চলাওঁতাবিলাক।)

***পুৰণি নিয়ম ঃ*** অসৎ ৰজাবিলাকক সাৱধান কৰিবলৈ আৰু মানুহবিলাকে অনুতপ্ত কৰিবলৈ ঈশ্বৰে তেওঁৰ ভাববাদী বিলাকক পঠিয়াইছিল।

- চলোমনৰ মূৰ্খ পুত্ৰ ৰহবিয়ামে মানুহবিলাকক তেওঁলোকৰ গধূৰ যুৱলি লঘু কৰিবলৈ অমান্তি হোৱাৰ বাবে ৰাজ্যখনক দুভাগ কৰি, উত্তৰে ইস্ৰায়েল আৰু দক্ষিণত যিহুদা ফৈদত বিভক্ত হ'বলৈ যাৰবিয়াম আৰু উত্তৰৰ ফৈদবিলাকক উচটনি দিছিল। ১ ৰাজাঃ ১২
- ইস্ৰায়েলৰ উত্তৰ দিশৰ প্ৰথম ৰজা যাৰবিয়ামে ভাববাদীৰ সাৱধান বাণীক অবমাননা কৰিলে আৰু অসৎ দেৱপূজা স্থাপন কৰিছিল। ১ ৰাজাঃ ১৩।
- বেছিভাগ ৰজাই যাৰবিয়ামৰ অসৎ উদাহৰণবোৰকে অনুসৰণ কৰিছিল। আহাবে প্ৰায় সকলো ইস্ৰায়েলবাসীকে দেৱপূজা কৰিবলৈ দিছিল। কিন্তু এলিয়া ভাববাদীয়ে ঈশ্বৰ যে জীৱিত আৰু অধিক ক্ষমতাশালী তাকে দেখুৱাবলৈ প্ৰাণবিহীন মূৰ্ত্তিবোৰতকৈ আচৰিত কৰ্ম্ম কৰিলে। এগৰাকী বাঁৰী তিৰোতাৰ পুত্ৰক এলিয়াই সুস্থ কৰিছিল। ১ ৰাজাঃ ১৭।

এলিয়াই কৰ্মিল পৰ্ব্বতত বালৰ ভাববাদী বিলাকক আৰু আহাবক এটি প্ৰতিযোগিতাৰ বাবে সাক্ষাৎ কৰিবলৈ প্ৰত্যাহ্বান জনাইছিল। ১ ৰাজাঃ ১৮

এলিয়াই অকলশৰীয়া অনুভৱ কৰি হতাশ হৈ পৰিছিল, কিন্তু ঈশ্বৰৰ দূতৰ দ্বাৰাই তেওঁ প্ৰতিপালিত হৈছিল। ১ ৰাজাঃ ১৯

এলিয়াই অতি অসৎ ৰজা আহাবক অনুতাপ কৰিবলৈ বাধ্য কৰিছিল, ১ ৰাজাঃ ২১।

আহাবে মীখায়াৰ ভাববানীক অৱজ্ঞা কৰি নিজলৈ ভয়ানক মৃত্যু আনিছিল, ১ ৰাজাঃ ২২।

এলিয়াই অসৎ ৰজা অহজিয়াৰ দূতবিলাকলৈ স্বৰ্গৰ পৰা জুই আনিলে, ২ ৰাজাঃ ১।

এলিয়াক এখন অগ্নিময় ৰথত তুলি স্বৰ্গলৈ লৈ যোৱা হ'ল কিন্তু প্ৰভূৱে তেওঁৰ ক্ষমতাবোৰ নঃশিকাৰু ইলীচাক গটালে। ২ ৰাজাঃ ২।

ইলীচাই ইস্ৰায়েলৰ ৰজা যোৰামক মোৱাৰ সৈন্যক আচৰিত ভাৱে পৰাজয় কৰিবলৈ সমৰ্থৱান কৰিছিল। ২ ৰাজাঃ ৩।

ইলীচাই ঈশ্বৰৰ শক্তিৰ দ্বাৰাই এগৰাকী দুখীয়া বাৰী তিৰোতাক তাইৰ ধাৰবোৰ সুজিবলৈ সমৰ্থ কৰিছিল। ২ ৰাজাঃ ৪

ইলীচাই ঈশ্বৰৰ শক্তিৰ বলত অৰামীয়া ৰজাৰ প্ৰধান সেনাপতি নামানৰ কুষ্ঠৰোগ সুস্থ কৰিছিল। ২ ৰাজাঃ ৫

এলীয়াই ঈশ্বৰৰ শক্তিৰ দ্বাৰাই অৰামৰ পৰা আক্ৰমণ কৰিবলৈ অহা সৈন্যক পৰাজয় কৰিবলৈ সক্ষম হৈছিল। ২ ৰাজাঃ ৭ঃ২৪-৩৩; ২ ৰাজাঃ ৮।

- যিৰিমিয়াই ঈশ্বৰৰ শাস্তি আৰু যিৰূচালেম ধ্বংস হোৱাৰ ভৱিষ্যৎবাণী কৰিছিল, কিন্তু ৰজাবিলাকে শুনিবলৈ

অস্বীকাৰ কৰিলে। ২ বংশাঃ ৩৬ঃ১১-২৩, যিৰিমিয়া ৩৬।

- ৰজা আৰু মানুহবিলাক বেছিকৈহে অসৎ হৈছিল বাবে অৱশেষত যিৰূচালেমৰ পতন ঘটিল। অনেকক বাবিললৈ দাস হিচাবে লৈ যোৱা হৈছিল। ২ বংশাঃ ৩৬।
- প্ৰথম প্ৰচাৰক যোনাক আন দেশলৈ পঠোৱা হৈছিল। আৰু ঈশ্বৰে তেওঁক বাধ্য হ'বলৈ নিশিকোৱালৈকে ঈশ্বৰৰ আদেশ অমান্য কৰিলে, যোনা ভাববাদীৰ পুস্তকখন।

***নতুন নিয়ম ঃ*** যীচুৱে সকলো মানুহকে অনুতাপ কৰিবলৈ আহ্বান জনাইছিল, আৰু বেয়া চলাওঁতাসকলৰ বিষয়ে সতৰ্ক কৰি দিছিল - মানুহবোৰক অপথে লৈ যোৱা ৰাংকুকুৰবোৰ ঃ

- পাপী এজনে মন পৰিবৰ্ত্তন কৰিলে স্বৰ্গত যি আনন্দ হয় সেই কথা প্ৰকাশ কৰিবলৈ যীচুৱে হেৰুৱা মেৰৰ দৃষ্টান্তটো দিছিল। লূক ১৫ঃ১-১০ পদ।
- যীচুৱে অপব্যয় পুত্ৰৰ দৃষ্টান্তটোত ঈশ্বৰৰ অনুগ্ৰহে যে মানুহক মন পালটন কৰিবলৈ দিয়ে সেই বিষয়ে বৰ্ণনা কৰিছে। লূক ১৫ঃ১১-৩২ পদ।
- পিতৰে শুভবাৰ্ত্তা ঘোষণা কৰিছিল আৰু পঞ্চাশ দিনীয়া পৰ্ব্বত গোট খোৱা লোকসমূহক মন পালটন কৰিবলৈ আহ্বান জনাইছিল। পাচনিকৰ্ম্ম ২ঃ১-৪১ পদ।
- বিশ্ৰামবাৰৰ দিনা যীচুৱে এজন অন্ধ মানুহক সুস্থ কৰিছিল আৰু ভণ্ড ধৰ্ম্মীয় নেতাবোৰে তেওঁৰ এই কামটো বিশ্ৰামবাৰে কৰা বাবে অসন্তোষ্টি প্ৰকাশ কৰিছিল, যোহন ৯ অধ্যায়।
- তাৰ্চ নগৰৰ চৌলে খ্ৰীষ্টিয়ানবিলাকক বন্দীশালত থৈছিল আৰু তেওঁলোকৰ মৃত্যু ঘটাইছিল কিন্তু মন পালটন কৰি পাঁচনি পৌল হ'ল, পাঁচনিৰ কৰ্ম্ম ৯ঃ১-৩১ পদ।
- যীচুৱে এনে ৰাংকুকুৰাবোৰলৈ সাৱধান কৰি দিছিল যিবোৰে ভাঁৰি-কোৱা ভাববাদীৰ বেশত অতি ধাৰ্ম্মিক খ্ৰীষ্টিয়ান নেতা হৈ আহে। মথি ৭ঃ১৫-২০ পদ।
- হেৰোদ ৰজাক তেওঁৰ ব্যভিচাৰৰ কাৰণে যোহন বাপ্তাইজকে সতৰ্ক কৰিছিল। হেৰোদে যোহনক বন্দীশালত থৈছিল আৰু পিছত তেওঁৰ মূৰ ছেদন কৰালে। মথি ১৪ অধ্যায়।
- যীচুৱে ফৰীচীবিলাকৰ খমিৰ - স্বধৰ্ম্ম পৰায়নতা আৰু মানুহৰ বিধানবোৰৰ বিষয়ে সাৱধান কৰি দিছিল। লূক ১২ঃ১; মথি ১৫ঃ১-২০ পদ।
- পৌলে ইফিচৰ বৃদ্ধলোকক যি ৰাংকুকুৰ অৰ্থাৎ ভাঁৰি কোৱা ভাৱবাদীয়ে তেওঁলোকৰ মণ্ডলীক নষ্ট কৰিবলৈ আৰু পৃথক কৰিবলৈ চেষ্টা কৰে তেওঁলোকলৈ সাৱধান কৰি দিছিল। পাচনিকৰ্ম্ম ২০ঃ২৮-৩২ পদ।
- যোহনৰ ভাববাণীত ঈশ্বৰে বিশ্বাসীসকললৈ এজন নিৰ্দ্দয় তাড়নাকাৰী খ্ৰীষ্টাৰিৰ সতৰ্ক কৰিছে, প্ৰকাঃ ১৩।
- যি মানুহে মন পালটন নকৰে তেওঁলোকলৈ মহা বিচাৰ আহি আছে বুলি যোহনৰ দৰ্শনে সাৱধান কৰি দিছে। প্ৰকাঃ ১৬-১৮ অধ্যায়।
- মন পালটন কৰা সকলৰ বাবে স্বৰ্গত এটি গৌৰৱময় "বিবাহ ভোজ"ৰ কথাও যোহনৰ দৰ্শনে প্ৰতিজ্ঞা কৰিছে। প্ৰকাঃ ১৯ অধ্যায়।
- মন পালটন নকৰা সকলৰ বাবে ঈশ্বৰৰ ডাঙৰ বগা সিংহাসনৰ সন্মুখত শেষ বিচাৰ কৰাৰ কথা যোহনৰ দৰ্শনে প্ৰকাশ কৰিছে। প্ৰকাঃ ২০ অধ্যায়।
- যোহনৰ দৰ্শনে নতুন আকাশ-মণ্ডল আৰু নতুন পৃথিৱী য'ত আমি চিৰকালৰ বাবে খ্ৰীষ্টৰ লগত বাস কৰিবলৈ পাম, য'ত শোক, ক্ৰন্দন বা বেদনাও নাথাকিব, তেনে ঠাইৰ কথাও প্ৰকাশ কৰিছে। প্ৰকাঃ ২১-২২ অধ্যায়।

***আমাৰ সমিধান ঃ***

- আমাৰ পৰিয়ালৰ পৰা আৰম্ভ কৰি ঈশ্বৰে আমাক প্ৰতিপালন কৰিবলৈ দিয়া জাকৰ ওপৰত দৃষ্টি ৰখা, (পাঁচনিৰ ২০ঃ২৮-৩২)

- নিজৰ সামৰ্থ্যক প্ৰমাণ কৰি দেখুওৱা দায়িত্বশীল, পৰিপক্ক লোকসকলক চলাওঁতা হিচাবে বাছি দিয়া। (১ তীমথিয় ৩)
- যিবিলাকে বিভাজন আনে তেনেবিলাকক পৰিত্যাগ কৰা (তীত ৩ঃ১০-১১ পদ)
- খ্ৰীষ্টই আমাক সাৱধান কৰি দিয়া সৰ্ব্ব সাধাৰণ ভুলবোৰ, যিবোৰে আমাৰ মণ্ডলীবোৰক দুৰ্ব্বল কৰে, তেনে ভুলবোৰৰ পৰা আমাৰ মণ্ডলীয়ে আঁতৰি থাকক। (প্ৰকাঃ ২-৩)
- প্ৰতিদিনে পবিত্ৰ আত্মাৰ দ্বাৰা নতুন কৰণ বিচৰা (২য় কৰিঃ ৪ঃ১৬-১৮ পদ)।
- যন্ত্ৰণাগ্ৰস্ত বিশ্বাসীসকলক অনন্তকলীয়া পুৰস্কাৰৰে নিশ্চয়তা প্ৰদান কৰা। (১ পিতৰ ১ঃ৬-৯; ১যোহন ৩ঃ১-৩)

**লুচিফাৰ** (সম্পৰ্কীয় ঃ স্বৰ্গৰ পৰা চয়তান তললৈ পৰি যোৱা, আত্মিক যুজ, চয়তানে যীচুক কৰা পৰীক্ষা কৰা, চয়তান)

***পুৰণি নিয়ম ঃ*** "বাবিলৰ ৰজা" লুচিফাৰ, এজন সুন্দৰ দূতে অহঙ্কাৰৰ বাবে স্বৰ্গৰ পৰা পতিত হৈ আমাৰ শত্ৰু চয়তান হ'ল, যিচয়া ১৪ঃ৩-১৭ পদ। এই ঘটনাটো সৃষ্টিৰ আদিতেই ঘটিছিল। কিন্তু ৰাজ্যৰ বিভাজন নোহোৱালৈকে এই কথা প্ৰকাশ হোৱা নাছিল।

***নতুন নিয়ম ঃ*** চয়তানে ঈশ্বৰৰ লোকসকলৰ বিৰুদ্ধে অবিৰামে যুজ কৰি আছে।

- স্বৰ্গত হোৱা এখন যুদ্ধৰ ফলত আন পতিত দূতবিলাকৰ লগতে চয়তানকো পেলাই দিয়া হৈছিল। প্ৰকাঃ ১২ঃ৭-৯ পদ।
- চয়তানে যীচুক পৰীক্ষা কৰিছিল, মথি ৪ অধ্যায়।
- যীচুৱে এই বিষয়ে সাৱধান কৰি দিছে যে, চয়তানে তাৰ বেয়া আত্মাবোৰ চৰাইৰ নিচিনাকৈ পঠিয়াই আমাৰ হৃদয়ৰ পৰা ঈশ্বৰৰ বাক্য কাঢ়ি লৈ যায়। মথি ১৩ অধ্যায়।
- যীচুক বিশ্বাসঘাটক কৰিবলৈ চয়তানে যিহুদাক বিচলিত কৰিছিল। (যোহন ১৩ঃ২১-৩০; যোহন ১৮ঃ১-১২ পদ)
- খ্ৰীষ্ট বিশ্বাসী অনিনয় আৰু চাফীৰাই পাপ কৰাৰ কাৰণ চয়তানেই আছিল। (পাঁচনিঃ ৫ঃ১-১১ পদ)

***আমাৰ সমিধান ঃ***

- চয়তানক বাধা দিয়ক আৰু সি আমাৰ পৰা পলাই যাব, (যাকোব ৪ঃ৭)।
- গুজৰি থকা সিংহৰ নিচিনাকৈ কাক কেনেকৈ গ্ৰাস কৰিব পাৰে তাৰ উপায় বিচাৰি থকা চয়তানৰ পৰা সাৱধান হৈ থকা। (১ পিতৰ ৫ঃ৮-৯ পদ)

## বাবিলত ইস্ৰায়েলৰ দাসত্ব আৰু বাকী থকা জনৰ পুনৰাগমনৰ সময়ত ঘটা ঘটনাবোৰৰ লগতে তেনেধৰণৰ পিচত ঘটা ঘটনাবোৰ

**বাবিলত ইস্ৰায়েলৰ দাসত্ব** (সম্পৰ্কীয় ঃ মৰ্দখয়, দানিয়েল, বিশ্বাসীসকলৰ নিৰাপত্তা, যীচু-সজৰখীয়া)

***পুৰণি নিয়ম ঃ*** তেওঁলোকে দাসত্বত থকা কালত কেৱল তেওঁক সেৱা কৰা অৱশিষ্টজনক ঈশ্বৰে ৰক্ষা কৰিছিল।

- ঈশ্বৰৰ শত্ৰুবিলাকক বিনাশ কৰিবলৈ পৰিকল্পনা কৰা কাৰ্য্যত মৰ্দখয়ে তেওঁৰ ভাগিনীয়েক নিৰ্ভীক ৰাণী ইষ্টেৰক সহায় কৰিছিল। ইষ্টেৰ (গোটেই কিতাপখন)।
- ঈশ্বৰে দানিয়েলৰ তিনিজন বন্ধুক প্ৰজ্বলিত অগ্নিকুণ্ডৰ পৰা, (দানিয়েল ৩ অধ্যায়) আৰু দানিয়েলক সিংহৰ গাঁতৰ পৰা (দানিয়েল ৬ অধ্যায়) ৰক্ষা কৰিছিল।

***নতুন নিয়ম ঃ*** সজৰখীয়া যীচুৱে তেওঁৰ অনুগামীসকলক তেওঁৰ হাতত চিৰকাললৈকে নিৰাপদে ৰাখিব বুলি প্ৰতিজ্ঞা কৰিছে। (যোহন ১০ঃ৭-৩৯ পদ)

**আমাৰ সমিধান ঃ** তেওঁৰ সন্তানবিলাকক তেওঁৰ হাতত অনন্তকাল ৰাখিবলৈ ঈশ্বৰৰ অনুগ্ৰহৰ ওপৰত বিশ্বাস ৰাখক। ৰোমীয়া ৮ঃ২৮-৩৯ পদ।

**ইজ্ৰা, সংস্কাৰক** (সম্পৰ্কীয় ঃ পুনঃ প্ৰতিষ্ঠা, বাবিলৰ দাসত্বৰ পৰা ঘুৰি অহা, নহিমিয়া, আত্মিক উপহাৰ)

***পুৰণি নিয়ম ঃ*** ঈশ্বৰে তেওঁৰ লোকবিলাকক পুনঃ প্ৰতিষ্ঠা কৰিবৰ আৰু তেওঁৰ পৰিচৰ্য্যা কৰিবৰ বাবে তেওঁলোকক সুসংগঠিত কৰিবলৈ বিশ্বাসী চলাওঁতাবিলাক দিছিল।

- পাৰস্যৰ কোৰচ ৰজাই বাবিলত নিৰ্বাসিত হৈ থকা বিলাকক মন্দিৰ পুনঃস্থাপন আৰু ইস্ৰায়েল দেশখন পুনৰুদ্ধাৰ কৰিবলৈ দিলে। ইজ্ৰা ১অধ্যায়।
- উভতি অহা যিহূদীবিলাকে মহান আনন্দ ধ্বনি আৰু চকুলোৰে সৈতে মন্দিৰ পুনৰ নিৰ্ম্মাণ কৰিবলৈ আৰম্ভ কৰিলে, ইজ্ৰা ৩ অধ্যায়।
- যিৰূচালেম পুননিৰ্মাণ কৰিবলৈ নহিমিয়াই অৰ্তক্ষত্ৰ ৰজাৰ পৰা অনুমতি ললে। নহিমিয়াই ঘুৰি আহি ধ্বংশাৱশেষৰ জৰীপ ল'লে। নহিমিয়া ১-২ অধ্যায়।
- কঠোৰ বিৰোধিতাৰ মাজতো নহিমিয়াই যিৰূচালেমৰ বেৰ পুনঃনিৰ্মাণ কৰিবলৈ অস্ত্ৰধাৰী বনুৱাবিলাকক লৈ গৈছিল। নহিমিয়া ৩-৪ অধ্যায়।
- মানুহবিলাকে ঈশ্বৰৰ বাক্য শুনিলে আৰু মনোযোগ দিলে। তেওঁলোকৰ পাপবোৰ স্বীকাৰ কৰিলে আৰু মহান জাতিয় নবীকৰণত মন পালটন কৰিলে। ইজ্ৰা ৮-৯ অধ্যায়।

***নতুন নিয়ম ঃ*** ইজনে সিজনক পৰিচৰ্য্যা কৰিবলৈ, চলাই নিবলৈ আৰু দৰিদ্ৰজনক সহায় কৰিবলৈ ঈশ্বৰে তেওঁৰ পবিত্ৰ আত্মাৰ যোগেদি আমাক বৰ আৰু শক্তি দান কৰে ঃ

- যীচুৱে পাপীবিলাকৰ সৈতে ভোজন কৰি তেওঁলোকলৈ ঈশ্বৰৰ অনুগ্ৰহ আনিছিল। মাৰ্ক ২ঃ১৩-১৭ পদ।
- আমি আন বৰবোৰৰ লগতে আত্মিক বৰবোৰ মণ্ডলীত, প্ৰেমত ইজনে সিজনক পৰিচৰ্য্যা কৰিবলৈ ব্যৱহাৰ কৰোহঁক। ১ কৰিঃ ১২ঃ১৪-৩১ পদ।
- পৌলে তেওঁৰ ন-শিকাৰু বিলাকক আন চলাওঁতাবিলাকৰ নাম দিবলৈ আৰু প্ৰশিক্ষণ দিবলৈ আৰু প্ৰশিক্ষণ ব্যৱস্থা বৃদ্ধি কৰি যাবলৈ ক'লে। তীত ১ঃ৫; ২ তীমঃ ২ঃ২ পদ।

***আমাৰ সমিধান ঃ*** ঈশ্বৰৰ কাৰ্য্যৰ বাবে আমাৰ লোকবিলাকক সংগঠিত কৰিবলৈ বিশ্বাসেৰে আঁচনি যুগুত কৰা। (ইফিঃ ৪ঃ১১-১৬ পদ।)

- নতুন কৰ্ম্মীবিলাকক নিযুক্তি দি তেওঁবিলাকক অধিক প্ৰয়োজন থকা ঠাইলৈ পঠিওৱা। পাঁচনি ১৩ঃ১-৩; তীত ১ঃ৫ পদ।

## যীচুৰ জাগতিক জীৱন কালত ঘটা ঘটনাবোৰ

**যীচুৰ জীৱন** (সম্পৰ্কীয় ঃ পাঁচনিবিলাকক বাছি লোৱা, জয়যুক্ত প্ৰৱেশ, ক্ৰুচ, যীচু পুনৰায় উঠিল, যীচু স্বৰ্গলৈ গ'ল।)

- যীচুৰ জন্ম ঃ মথি ১-২; লূক ২ অধ্যায়।
- যীচুৰ বাপ্তিস্ম ঃ মথি ৩ অধ্যায়।
- চয়তানৰ দ্বাৰাই যীচুৰ পৰীক্ষা ঃ মথি ৪ অধ্যায়।
- যীচুৱে বাৰজন শিষ্যক আহ্বান কৰিছিল, পিচলৈ তেওঁলোক প্ৰচাৰক হৈছিল। মথি ৪ঃ১৮-২১; ৯ঃ৯-১৩; যোহন ১ঃ৩৫-৫১; মাৰ্ক ৩ঃ১৩-১৯ পদ।
- যীচুৱে অন্যৰূপ ধৰা, মথি ১৭ অধ্যায়।
- যিৰূচালেমত যীচুৰ জয়যুক্ত প্ৰৱেশ (খাজুৰ পৰ্ব্ব) মথি ২১।

- পবিত্ৰ আত্মাৰ শক্তিৰে ক্ষমা আৰু অনুতাপ ঘোষণা কৰি সকলোকে শিষ্য কৰিবলৈ দিয়া যীচুৰ সেই মহান আদেশ। মথি ২৮ঃ১৮-২০; মাৰ্ক ১৬ঃ১৫-১৬; লূক ২৪ঃ৪৬-৪৮; যোহন ২০ঃ২১-২৩; পাঁচনিঃ ১ঃ৮ পদ।
- যীচুৰ স্বৰ্গাৰোহন ঃ লূক ২৪ঃ৫০-৫৩ পদ।

## যীচুৰ স্বৰ্গাৰোহনৰ পিচৰ ঘটনাবোৰ

**পঞ্চাশদিনীয়া পৰ্ব্বৰ সময়ত পবিত্ৰ আত্মা আহিল** (সম্পৰ্কীয় ঃ ষ্টিফেন, পঞ্চাশদিনীয়া পৰ্ব্ব, মণ্ডলী সভা, প্ৰচাৰক দল, বিচাৰ)

- পঞ্চাশদিনীয়া পৰ্ব্বৰ দিনা যিহূদী বিশ্বাসীসকললৈ পিবত্ৰ আত্মা আহিল, পাঁচনিৰ কৰ্ম্ম ২ অধ্যায়।
- ষ্টিফেনে যেতিয়া পুৰণি নিয়মৰ ইতিহাসৰ পৰা দেখুৱাই দিলে যে তেওঁলোকৰ পুৰ্ব্বপুৰুষসকলে যুগে যুগে ঈশ্বৰক প্ৰতিৰোধ কৰি আহিছে, তেতিয়া খ্ৰীষ্টৰ শত্ৰুবিলাকে তেওঁক শিলগুটি দলিয়াই বধ কৰিলে। পাঁচনি ঃ ৭ অধ্যায়।
- প্ৰথম পৰজাতি মণ্ডলী। খ্ৰীষ্টত দীক্ষিত হোৱা পৰজাতিবিলাকেও পবিত্ৰ আত্মা পাইছিল। পাঁচনি ১০ অধ্যায়।
- প্ৰথম প্ৰচাৰক দল। পাঁচনি ১৩-১৪ অধ্যায়।

  প্ৰথম অনন্ত মণ্ডলী সভা। পাঁচনি ১৫ অধ্যায়।
- শেষ বিচাৰ, প্ৰকাশিত বাক্য ২০ঃ১১-১৫ পদ।
- যীচুৱে প্ৰভুৰ ভোজ স্থাপন কৰিলে। মথি ২৬ঃ১৭-২৯ পদ।
- গেৎচিমানীবাৰীত যীচুৰ যাতনা আৰু তেওঁক ধৰা। মথি ২৬ঃ৩৬-৫৬ পদ।
- কেবাজনো কুতপক্ষৰ সন্মুখত যীচুৰ বিচাৰ; মাৰ্ক ১৪ঃ৫৫-৬৪; যোহন ১৮ঃ২৮-৪০; ১৯ঃ১-১৬ পদ।
- যীচুৰ ক্ৰুচীয় মৃত্যু। মথি ২৭ অধ্যায়; মাৰ্ক ১৫ অধ্যায়, লূক ২৩ অধ্যায়, যোহন ১৯ঃ১৭-৩৭ পদ।
- যীচুৰ কবৰস্থ; যোহন ১৯ঃ৩৮-৪২ পদ।
- যীচুৰ পুনৰুত্থান আৰু দেখা দিয়া। মথি ২৮ অধ্যায়; যোহন ২০-২১ অধ্যায়।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net